# বিত্তীয় বিবৃতি- ২য় ভাগ

**10**

*শিকাৰ উদ্দেশ্য*

*এই অধ্যায়টো অধ্যায়ন কৰাৰ পিছত তোমালোকে জানিবলৈ সক্ষম হ'বা ঃ*

- *সংযোজন সমূহৰ প্ৰয়োজনৰ বিষয়ে ব্যাখ্যা কৰিবলৈ যেতিয়া বিত্তীয় বিবৃতিসমূহ প্ৰস্তুত কৰা হয়,*
- *হিচাপকৰণ কাৰ্যত অপ্ৰদত্ত ব্যয় আৰু অগ্ৰীম প্ৰদত্ত ব্যয় আৰু উপাৰ্জিত কিন্তু নোপোৱা আৰু অগ্ৰীম প্ৰদত্ত আনৰ সংযোজনৰ বিষয়ে ব্যাখ্যা কৰিবলৈ,*
- *অৱক্ষয়, অনুদ্ধাৰণীয় ঋণ, সন্দেহজনক ঋণ পুঁজি, দেনাদাৰৰ ওপৰত বাট্টা পুঁজি আদি সংযোজন সমূহৰ আলোচনা কৰিবলৈ,*
- *মেনেজাৰৰ দস্তুৰি, মূলধনৰ ওপৰত সুদ আদি বিষয়ৰ সংযোজন সমূহৰ ধাৰণা আৰু তাৰ ব্যাখ্যাকৰিবলৈ,*
- *সংযোজনসমূহৰ সৈতে লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰণত,*
- *উলম্ব আৰ্হিত বিত্তীয় প্ৰতিবেদনসমূহ উপস্থাপন কৰিবলৈ।*

নৱম অধ্যায়ত তোমালোকে হিচাপ ক্ৰয়-বিক্ৰয় লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰৰ বিভিন্ন নমুনাৰ সহায়ত সৰল চূড়ান্তপত্ৰ কেনেকৈ প্ৰস্তুত কৰা হয় - শিকি আহিছা। সৰল চূড়ান্ত হিচাপ প্ৰস্তুত কৰাৰ সময়ত ব্যৱসায় পৰিচালনাত সাধাৰণতে থকা হিচাপৰ লগত জড়িত জটিল পৰিস্থিতি নথকা বুলি ধৰি লোৱা হৈছিল। এনে জটিল পৰিস্থিতি উদ্ভৱ হোৱাৰ কাৰণ হ'ল ব্যৱসায়ৰ আয় আৰু আৰ্থিক পৰিস্থিতি নিৰ্দ্ধাৰণ কৰা হয় উপাৰ্জিত ভিত্তিক পদ্ধতিৰ (Accrual Basis) জৰিয়তে। ইয়াৰ ফলস্বৰূপে লাভ নিৰ্দ্ধাৰণ কৰাৰ সময়ত, আয়বোৰ নগদ ভিত্তিত ধৰা নহয়, উপাৰ্জিত ভিত্তিতহে ধৰা হয় আৰু খৰচবোৰ প্ৰদান কৰা ভিত্তিত ধৰা নহয় বৰং গোটেই বছৰটোৰ মুঠ খৰচক ধৰা হয়। গতিকে চূড়ান্ত হিচাপ প্ৰস্তুত কৰাৰ সময়ত বহুতো বিষয়ৰ ক্ষেত্ৰত কিছু সংযোজন আৱশ্যক হৈ পৰে। এই অধ্যায়ত আমি সেই সকলোবোৰ বিষয় য'ত সংযোজনৰ আৱশ্যক আছে সেইবোৰ আৰু কি দৰে সেই বিষয়বোৰ হিচাপৰ অন্তৰ্ভুক্ত কৰা হয় আৰু চূড়ান্ত হিচাপত কিদৰে উপস্থাপন কৰা হয়-সেই বিষয়ে আলোচনা কৰিম।

## 10.1 সংযোজনসমূহৰ প্ৰয়োজনীয়তা

হিচাপকৰণৰ উপাৰ্জিত ধাৰণা অনুসৰি কোনো এটা বিত্তীয় বৰ্ষৰ লাভ-লোকচান হিচাপ সেই বছৰটোৰ ভিতৰত কিমান ৰাজহ নগদভাৱে প্ৰাপ্তি হ'ল আৰু কিমান খৰচ বা ব্যয় কৰা হ'ল তাৰ ওপৰত সাধাৰণতে নিৰ্ভৰ নকৰে কাৰণ কিছুমান উপাৰ্জিত আয় আৰু প্ৰদত্ত ব্যয় যদিও চলিত বছৰটোৰ হিচাপত অন্তৰ্ভুক্ত, সেইবোৰৰ কিছুমান আংশিকভাৱে আগৰ বছৰৰ বা পৰবৰ্ত্তী বছৰৰ লগত অন্তৰ্ভুক্ত হৈ থাকে। আকৌ কিছুমান এনেকুৱা ধৰণৰ আয় আৰু ব্যয় আছে যিবোৰ এতিয়াও হিচাপৰ বহীত লিপিবদ্ধ কৰা হোৱা নাই কিন্তু এইবোৰ আয় বা ব্যয় চলিত বছৰৰ লগত জড়িত। সেই কাৰণে এই শিতানসমূহ যদি সঠিকভাৱে হিচাপত সংযোজন কৰা নহয় তেতিয়া ব্যৱসায়ৰ চূড়ান্ত হিচাপত প্ৰকৃত আৰ্থিক অৱস্থা সঠিকভাৱে প্ৰতিফলিত নহয় ।

এটা উদাহৰণ লোৱা হওঁক - ধৰা হ'ল 2005 চনৰ 1 জুলাই তাৰিখে বীমা কিস্তিৰ বাবে 1,000 টকা ব্যয় কৰা হ'ল। তোমালোকে জানা যে যিকোনো সাধাৰণ বীমা কিস্তি 12 মাহৰ বাবে বছৰটোত আদায় দিয়া হয়। ধৰি লোৱা 2006 চনৰ 31 মাৰ্চৰ শেষত হিচাপ বৰ্ষ অন্ত পৰে। ইয়াৰ অৰ্থ হ'ল এই যে যি বীমা কিস্তি 2005 চনৰ 1 জুলাই তাৰিখে প্ৰদান কৰা হৈছে তাৰ এক চতুৰ্থাংশ পৰৱৰ্ত্তী বিত্তীয় বৰ্ষ 2006-07 লগত জড়িত। সেইবাবে 2005-06 বৰ্ষৰ যেতিয়া বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰা হয়, তেতিয়া বীমা কিস্তিৰ বাবদ আদায় দিয়া খৰচ মাত্ৰ 700 টকা (1,200 টকা 400 টকা) থকা লাভ-লোকচান হিচাপত ডেবিট কৰা হয়।

আন এক উদাহৰণ লোৱা হওঁক ঃ- 2005 চনৰ মাৰ্চ মাহৰ দৰমহা, 2005 চনৰ 7 এপ্ৰিল তাৰিখে আদায় দিয়া হ'ল। ইয়াৰ অৰ্থ এই যে 2004-05 বৰ্ষৰ দৰমহা হিচাপত 2005 চনৰ মাৰ্চ মাহৰ দৰমহা অন্তৰ্ভুক্তি হোৱা নাই।

আদায় নিদিয়াকৈ থকা এই দৰমহাক অপ্ৰদত্ত দৰমহা বুলি কোৱা হয়। আৰু ইয়াক হিচাপত অন্তৰ্ভুক্ত কৰিব লাগে আৰু 2004 চনৰ এপ্ৰিলৰ পৰা 2005 চনৰ ফেব্ৰুৱাৰীলৈ ইতিমধ্যে প্ৰদান কৰা দৰমহা হিচাপৰ লগত এপ্ৰিলত প্ৰদান কৰা দৰমহা হিচাপত ডেবিট কৰিব লাগে। একেধৰণে কিছুমান অগ্ৰিমপ্ৰাপ্ত আয় আছে নাইবা আয় প্ৰাপ্য, হৈছে কিন্তু পোৱা হোৱা নাই তেনে আয় আছে, সেইবোৰৰ সংযোজনৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও কিছুমান এনে ধৰণৰ শিতান আছে যিবোৰ দৈনিক ক্ৰম

অনুসৰি লিপিবদ্ধ কৰা নহয়, সেইবোৰ হ'ল স্থায়ী সম্পত্তিৰ ওপৰত অৱক্ষয়, মূলধনৰ ওপৰত সুদ ইত্যাদি। যেতিয়া বিত্তীয় প্রতিবেদন প্রস্তুত কৰা হয়, তেতিয়া এই সংযোজনসমূহ সংযোজিত কৰিব লাগে। বিভিন্ন ধৰণৰ সংযোজনসমূহ সংযোজিত কৰিব লাগে কাৰণ যেতিয়া ব্যৱসায়ৰ চূড়ান্ত হিচাপ প্রস্তুত কৰা হয় তেতিয়া ব্যৱসায়ৰ প্রকৃত লাভ বা লোকচান আৰু প্রকৃত আর্থিক অৱস্থা প্রতিফলিত হয়। সংযোজনৰ বাবে সাধাৰণ আৱশ্যকীয় শিতানসমূহ হ'ল ঃ-

1. সামৰণী মজুত পণ্য
2. অপ্রদত্ত ব্যয়
3. অগ্রিম প্রদত্ত খৰচ
4. উপার্জিত আয়
5. অগ্রিমভাবে প্রাপ্ত আয়
6. অৱক্ষয়
7. অনুদ্ধাৰণীয় ঋণ
8. সন্দেহজনক অনুদ্ধাৰণীয় ঋণ পুঁজি
9. দেনাদাৰৰ ওপৰত বাট্টা পুঁজি
10. মেনেজাৰৰ দস্তুৰি
11. মূলধনৰ ওপৰত সুদ

উল্লেখযোগ্য যে যেতিয়া আমি বিত্তীয় বিবৃতি প্রস্তুত কৰো তেতিয়া আমাক এখন উদ্বৃত্ত মিলন পত্রৰ লগতে কিছুমান অতিৰিক্ত তথ্য সংযোজন কৰিবলৈ দিয়া হয়। এই সকলোবোৰ সংযোজন দ্বি-প্রবিষ্টি হিচাপৰক্ষণ পদ্ধতি সম্পূর্ণ কৰিবলৈ চূড়ান্ত হিচাপত দু-বাৰ প্রতিফলিত কৰা হয়। নৱম অধ্যায়ত আগৰ উদাহৰণটোকে অংকিতৰ উদ্বৃত্ত মিলন পত্রৰ উদাহৰণ হিচাপে ধৰি লৈ 10·1 ত পুনৰ প্রস্তুত কৰা হ'ল

এতিয়া আমি এই সংযোজনসমূহৰ বিষয়ে আলোচনা কৰিম। তোমালোকে ভালদৰে মন কৰিবা যেতিয়া আমি বিত্তীয় প্রতিবেদনসমূহ প্রস্তুত কৰোঁ তেতিয়া এই সংযোজনসমূহে বিত্তীয় প্রতিবেদন প্রস্তুত কৰাৰ সময়ত কেনেধৰণে সহায়ক হয় আৰু ব্যৱসায় প্রতিষ্ঠানৰ প্রকৃত লাভ-লোকচান আৰু প্রকৃত আর্থিক অৱস্থা কেনেধৰণে প্রতিফলিত হয়।

**অংকিতৰ উদ্বৃত্ত মিলন পত্র**
**2005 চনৰ 31 মাৰ্চত**

| হিচাপৰ শিতান | উৎপাদান | খঃ পৃঃ | ডেবিট টকাৰ পৰিমাণ | ক্ৰেডিট টকাৰ পৰিমাণ |
|---|---|---|---|---|
| নগদ জমা | সম্পত্তি | | 1,000 | |
| বেংকত জমা | সম্পত্তি | | 5,000 | |
| মজুৰি | ব্যয় | | 8,000 | |
| দৰমহা | ব্যয় | | 25,000 | |
| আচবাৱ | সম্পত্তি | | 15,000 | |
| ভৱনৰ ভাড়া | ব্যয় | | 13,000 | |
| দেনাদাৰ | সম্পত্তি | | 15,500 | |
| অনুদ্ধাৰণীয় ঋণ | ব্যয় | | 4,500 | |
| ক্ৰয় | ব্যয় | | 75,000 | |
| মূলধন | | | | 12,000 |
| সমাংশ | | | | |
| বিক্ৰী | ৰাজহ | | | 125,000 |
| পাওঁনাদাৰ | দেনা | | | 15,000 |
| দীৰ্ঘকালীন ঋণ (1-4-04 ত লোৱা) | দেনা | | | 5,000 |
| প্ৰাপ্ত দস্তুৰি | ৰাজহ | | | 5,000 |
| **মুঠ -** | | | **1,62,000** | **1,62,000** |

অতিৰিক্ত তথ্য ঃ- 2005 চনৰ 31 মাৰ্চত মজুত পণ্যৰ পৰিমাণ 15,000 টকা

**Figure 10·1** ত অংকিতৰ উদ্বৃত্ত মিলন পত্ৰ দেখুওৱা হৈছে

## 10·2 সামৰণী মজুত পণ্য

ইতিমধ্যে নৱম অধ্যায়ত সামৰণী মজুত পণ্যৰ বিষয়ে আলোচনা কৰি অহা হৈছে। সামৰণী মজুত পণ্য হ'ল বছৰটোৰ অন্তত গুদামত থকা অবিক্ৰীত পণ্য। সামৰণী মজুত পণ্যৰ বাবে সংযোজন প্ৰবিষ্টি কৰাৰ সময়ত (i) ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ ক্ৰেডিট কৰা হয় আৰু (ii) উদ্বৃত্ত পত্ৰৰ সম্পত্তি দিশত দেখুওৱা হয়। ইয়াৰ কাৰণে সংযোজন প্ৰবিষ্টি দিয়া হয় ঃ-

সামৰণী মজুত পণ্য হিচাপ - ডেঃ
ক্ৰয়-বিক্ৰয় হিচাপলৈ

কোনো এটা বছৰৰ সামৰণী মজুত পণ্যৰ পৰিমাণ পৰৱৰ্তী বছৰৰ আৰম্ভণী মজুত পণ্য হিচাপে গণ্য কৰা হয় আৰু পিছৰ বছৰৰ উদ্বৃত্ত মিলন পত্ৰত প্ৰতিফলিত হয়। 2005 চনৰ 31 মাৰ্চৰ

অন্তত প্ৰস্তুত কৰা অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু সেই তাৰিখতে প্ৰস্তুত কৰা উদ্বৃত্ত পত্ৰ তলত উপস্থাপন কৰা হ'ল -

**অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচানৰ হিচাপ**

**2005 চনৰ 31 মাৰ্চত শেষ হোৱা বছৰটোৰ**

ডেঃ ক্ৰেঃ

| খৰচ/লোকচান | টকাৰ পৰিমাণ | ৰাজহ/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|
| ক্ৰয় | 75,000 | বিক্ৰয় | 1,25,000 |
| মজুৰি | 8,000 | | 15,000 |
| **মুঠ লাভ, আগলৈ** | 57,000 | সামৰণী মজুত পণ্য | |
| | 1,40,000 | | 1,40,000 |
| দৰমহা | 25,000 | মুঠ লাভ, আগৰ পৰা | 57,000 |
| ভৱনৰ ভাড়া | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | |
| **প্ৰকৃত লাভ** (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | 19,500 | | |
| | 62,000 | | 62,000 |

কেতিয়াবা আৰম্ভণী আৰু সামৰণী মজুত পণ্য ক্ৰয় হিচাপৰ জৰিয়তে সংযোজন কৰা হয়। সেই ক্ষেত্ৰত তলত দিয়া ধৰণে প্ৰবিষ্টি লিপিবদ্ধ কৰা হয়।

সামৰণী মজুত পণ্য হিচাপ - ডেঃ

ক্ৰয় হিচাপলৈ

উক্ত প্ৰবিষ্টিয়ে ক্ৰয় হিচাপত টকাৰ পৰিমাণ হ্ৰাস কৰে আৰু ইয়াক সংযোজিত ক্ৰয় বুলি জনা যায় আৰু ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত ডেবিট পক্ষত দেখুওৱা হয়। আকৌ জানি থোৱা ভাল হ'ব যে এনেদৰে, ক্ৰয় হিচাপৰ যোগেদি সংযোজন কৰিলে সামৰণী মজুত পণ্যক ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত ক্ৰেডিট পক্ষত লিপিবদ্ধ কৰা নহয়। এই পৰিস্থিতিৰ উপৰিও আৰম্ভণী মজুত পণ্যৰ ক্ষেত্ৰত আৰম্ভণী মজুত পণ্য পৃথককৈ ক্ৰয়-বিক্ৰয় আৰু লাভ লোকচান হিচাপত প্ৰতিফলিত নহয়। কাৰণ ইয়াক ক্ৰয়ৰ লগত সংযোজন কৰা হৈছে আৰু তলত দিয়া ধৰণে প্ৰবিষ্টি দিয়া হয়।

ক্ৰয় হিচাপ - ডেঃ

আৰম্ভণি মজুত পণ্য হিচাপলৈ

এই সূচীত আকৌ এটা মন কৰিবলগীয়া কথা যে যেতিয়া আৰম্ভণী মজুত পণ্য আৰু সামৰণী মজুত পণ্য ক্ৰয়ৰ যোগেদি সংযোজন কৰা হয় তেতিয়া উদ্বৃত্ত মিলন পত্ৰত কোনো ধৰণৰ আৰম্ভণী মজুত পণ্য দেখুওৱা নহয় আৰু তাৰ পৰিবৰ্ত্তে সামৰণী মজুত পণ্য উদ্বৃত্ত মিলন পত্ৰত দেখুওৱা হয়। যিটো কোনো ধৰণৰ অতিৰিক্ত তথ্য নহয় বা সংযোজনৰ শিতানৰ নহয় আৰু সংযোজন কৰা ক্ৰয় হিচাপ দেখুওৱা হয়। তেনে পৰিস্থিতিত তোমালোকে মন কৰিব লাগীয়া যে সংযোজিত ক্ৰয়ক ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত ডেবিট কৰিব লাগিব আৰু সামৰণী মজুত পণ্য উদ্বৃত্ত পত্ৰৰ সম্পত্তিৰ দিশত তলত দেখুওৱাৰ নিচিনা দেখুওৱা হয়।

**অংকিতৰ উদ্বৃত্ত পত্ৰ**

2005 চনৰ 31 মাৰ্চত তাৰিখত

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| মালিকৰ পুঁজি ঃ | | | অনাচলিত সম্পতি ঃ | 15,000 |
| মূলধন | 12,000 | | আচবাব | |
| যোগ ঃ প্ৰকৃতলাভ | 19,500 | 31,500 | চালিত সম্পত্তি | 15,500 |
| | | | দেনাদাৰ | 5,000 |
| অনা চলিত দেনা ঃ | | | বেংকৰ জমা | 1,000 |
| দীৰ্ঘকালীন ঋণ ঃ | | 5,000 | নগদ জমা | **15,000** |
| চলিত দেনা ঃ | | | **সামৰণী মজুত পণ্য** | |
| পাওনাদাৰ ঃ | | 15,000 | | |
| | | **51,500** | | **51,500** |

### 10·3 অপ্ৰদত্ত ব্যয়

ব্যৱসায় প্ৰতিষ্ঠানত বিত্তীয় বৰ্ষৰ অন্তত কিছুমান অপ্ৰদত্ত ব্যয় আদায় দিবলগীয়া হৈ থাকে। এই ব্যয় সমূহ সাধাৰণতে মজুৰি, দৰমহা, ঋণৰ ওপৰত দিয়া সুদ, ইত্যাদি।

যেতিয়া কোনো এটা বিত্তীয় বৰ্ষৰ কাৰণে বছৰটোৰ কিছুমান ব্যয় আদায় দিবলগীয়া হৈ থাকে তেনে ধৰণৰ ব্যয় সমূহক অপ্ৰদত্ত ব্যয় বোলা হয়। এনে ব্যয় সমূহ চলিত বিত্তীয় বছৰৰ ৰাজহ উপাৰ্জনৰ লগত জড়িত। ব্যৱসায়ৰ শুদ্ধ লাভ বা লোকচান নিৰূপণত এইবোৰক আৱশ্যকীয়ভাৱে হিচাপত অন্তৰ্ভূক্ত কৰিব লাগে। এই ব্যৱসায়সমূহ হিচাপত প্ৰবিষ্টিকৰণৰ বাবে দিয়া প্ৰবিষ্টি হ'ল-

নিৰ্দ্দিষ্ট খৰচ হিচাপ - ডেঃ

উক্ত প্ৰবিষ্টিৰ বাবে এটা নতুন হিচাপ খোলা হয় আৰু এই হিচাপক অপ্ৰদত্ত ব্যয় বুলি জনা যায় আৰু উদ্বৃত্ত পত্ৰৰ দেনাৰ দিশত ইয়াক দেখুওৱা হয়। এই অপ্ৰদত্ত ব্যয় ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰোতে নিৰ্দ্দিষ্ট হিচাপটোৰ লগত যোগ কৰি ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা হয়।

উদাহৰণ স্বৰূপে 10·1 ত উদ্বৃত্ত অংকিতৰ উদ্বৃত্ত মিলন পত্ৰত তোমালোকে দেখিবা মজুৰিৰ বাবদ 8,000 দেখুওৱা হৈছে। ধৰা হ'ল 2004-05 বৰ্ষৰ লগত জড়িত অংকিতে তেওঁৰ এজন কৰ্মচাৰীক 500 টকা মজুৰি বাবদ আদায় দিবলগীয়া হৈ আছে। সেই ক্ষেত্ৰত প্ৰকৃত মজুৰিৰ বাবদ ব্যয় হ'ব 8,500 টকা, 8,000 টকাৰ পৰিবৰ্ত্তে। ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত মজুৰিৰ বাবদ ব্যয় 8,500 টকা দেখুৱাব লাগিব আৰু 500 টকা তেওঁৰ কৰ্মচাৰীক দিবলগীয়া থকা বাবে ইয়াক স্বীকৃতি প্ৰাপ্ত দেনা হিছাপে পৰিগণিত হ'ব আৰু ইয়াক অপ্ৰদত্ত মজুৰি বুলি জনা যায় যাক মজুৰি হিচাপৰ লগত সংযোজন কৰি তলত দিয়া ধৰণে জাবেদা প্ৰবিষ্টি লিপিবদ্ধ কৰা হয়।

মজুৰি হিচাপ - ডেঃ

অপ্ৰদত্ত মজুৰি হিচাপলৈ

এই অপ্ৰদত্ত মজুৰিৰ পৰিমাণ নিৰ্দ্দিষ্ট মজুৰি হিচাপৰ লগত যোগ কৰি তলত দিয়া ধৰণে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা হয়।

অংকিতৰ ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান ভালদৰে নিৰীক্ষণ কৰা। তোমালোকে

অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ

2005 চনৰ 31 মাৰ্চৰ অন্তত

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| ক্ৰয় | | 75,000 | বিক্ৰী | 125,000 |
| মজুৰি | 8,000 | | | |
| যোগ ঃ অপ্ৰদত্ত মজুৰি | 500 | 8,500 | সামৰণী মজুত পণ্য | 15,000 |
| মুঠ লাভ, আগৰলৈ | | 56,500 | | |
| | | 1,40,000 | | 1,40,000 |
| দৰমহা | | 25,000 | মুঠ লাভ, আগৰ পৰা | 56,500 |
| ভৱনৰ ভাড়া | | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| অনুদ্ধাৰণীয় ঋণ | | 4,500 | | |
| প্ৰকৃত লাভ (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | | 19,000 | | |
| | | 61,500 | | 61,500 |

দেখা পাবা অপ্ৰদত্ত মজুৰিৰ কাৰণে প্ৰকৃত লাভৰ পৰিমাণ 19,000 টকালৈ হ্ৰাস পাইছে। অপ্ৰদত্ত মজুৰিৰ লগত জড়িত ব্যয়বোৰ উদ্বৃত্ত পত্ৰত তলত দেখুৱাৰ দৰে উপস্থাপন কৰা হয়।

## 10·4 অগ্ৰিম প্ৰদত্ত ব্যয়

অংকিতৰ উদ্বৃত্ত পত্ৰ

2005 চনৰ 31 মাৰ্চ তাৰিখত

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | |
| মূলধন | 12,000 | | আচবাব | 15,000 |
| যোগ ঃ প্ৰকৃত লাভ | 19,000 | 31,000 | চলিত সম্পত্তি | |
| অনাচলিত দেনা | | 5,000 | দেনাদাৰ | 15,500 |
| দীৰ্ঘকালীন ঋণ | | | বেংকত জমা | 5,000 |
| চলিত দেনা | | | নগদ জমা | 1,000 |
| পাওনাদাৰ | | 15,000 | **সামৰণী মজুত পণ্য** | 15,000 |
| অপ্ৰদত্ত মজুৰি | | 5,00 | | |
| | | 51,500 | | 51,500 |

ব্যৱসায়ৰ স্বাভাৱিক কাৰ্যকলাপত এনে ধৰণৰ কিছুমান ব্যয় আছে যিবোৰ আগতিয়াকৈ/অগ্ৰিমভাবে প্ৰদান কৰা হয়। বিত্তীয় বছৰৰ অন্তত এই ব্যয়বোৰৰ উপকাৰ সম্পূৰ্ণভাবে গ্ৰহণ কৰা নহয়। ইয়াৰ এটা অংশৰ উপকাৰ পৰৱৰ্তী বিত্তীয় বছৰত লাভ কৰে। এই আংশিক ব্যয়ৰ অংশ পৰৱৰ্তী বছৰলৈ লৈ যোৱা হয়, আৰু এনে ব্যয়ক অগ্ৰিম প্ৰদত্ত ব্যয় বোলা হয়। অগ্ৰিম প্ৰদত্ত ব্যয়ৰ বাবে প্ৰয়োজন হোৱা সংযোজন প্ৰবিষ্টি তলত দিয়া ধৰণে লিপিবদ্ধ কৰা হয়।

অগ্ৰিম প্ৰদত্ত ব্যয় হিচাপ - ডেবিট

নিৰ্দ্দিষ্ট ব্যয়ৰ হিচাপলৈ

উক্ত সংযোজন প্ৰবিষ্টিৰ প্ৰক্ৰিয়া এনে ধৰণেৰে কৰা হয়, কোনো এটা শিতানৰ মুঠ ব্যয়ৰ পৰা অগ্ৰিম প্ৰদত্ত ব্যয়খিনি বাদ দি লিখা হয় আৰু নতুনকৈ খোলা অগ্ৰিম প্ৰদত্ত ব্যয় হিচাপ উদ্বৃত্ত পত্ৰৰ দেনাৰ দিশত দেখুওৱা হয়। উদাহৰণ স্বৰূপে অংকিতৰ উদ্বৃত্ত মিলন পত্ৰখনত ধৰি লোৱা হ'ল - তেওঁ কৰ্মচাৰীৰ দৰ্মহাৰ বাবদ প্ৰদান কৰা ব্যয়ৰ ভিতৰত 5,000 টকা অগ্ৰিমভাবে প্ৰদান কৰা আছে কাৰণ এজন কৰ্মচাৰী কাৰ্য্যালয়ত যোগদান কৰিব লগা হৈ আছে। এইটো এনেদৰে সূচায় যে দৰমহাৰ বাবদ অংকিতে 5,000 টকা কৰ্মচাৰীৰ বাবে বেছিকৈ প্ৰদান কৰিছে। গতিকে চলিত বছৰটোৰ বাবে

শুদ্ধ দৰমহাৰ বাবদ ব্যয় হ'ব 20,000 টকা, 25,000 টকা নহয়। অংকিতে লাভ-লোকচান হিচাপত দৰমহা হিচাপৰ শিতানত 20,000 দেখুৱাব আৰু কৰ্মচাৰীৰ দৰমহাৰ বাবদ 5,000 টকা অগ্ৰিম ধন হিচাপে স্বীকৃত সম্পত্তি হিচাপে গণ্য কৰা হ'ব। ইয়াক অগ্ৰিম প্ৰদত্ত দৰমহা বুলি বিবেচনা কৰি তলত দিয়া ধৰণে জাবেদা প্ৰবিষ্টি লিপিবদ্ধ কৰা হ'ল

| | | | |
|---|---|---|---|
| অগ্ৰিম প্ৰদত্ত দৰমহা হিচাপ | ডেবিট | 5,000 | |
| দৰমহা হিচাপলৈ | | | 5,000 |

ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত অগ্ৰিম প্ৰদত্ত দৰমহা হিচাপ তলত দিয়া ধৰণে দেখুওৱা হয় ঃ

নিৰীক্ষণ কৰিলে দেখা পাবা অগ্ৰিম প্ৰদত্ত দৰমহাৰ ফলত প্ৰকৃত লাভৰ পৰিমাণ 5,000

**অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচানৰ হিচাপ**

2005 চনৰ 31 মাৰ্চৰ শেষত

**ডেঃ** **ক্ৰেঃ**

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| ক্ৰয় | | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | 15,000 |
| যোগ ঃ অপ্ৰদত্ত মজুৰি | 500 | 8,500 | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | |
| | | 1,40,000 | | 1,40,000 |
| দৰমহা | 25,000 | 20,000 | মুঠ লাভ, আগৰ পৰা | 56,500 |
| বাদ অগ্ৰীম প্ৰদত্ত দৰমহা | 5,000 | 13,000 | প্ৰাপ্ত দস্তুৰি | 5,000 |
| | | 4,500 | | |
| ভৰনৰ ভাড়া | | | | |
| অনুদ্ধাৰণীয় ঋণ | | | | |
| প্ৰকৃত লাভ ( অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | | 24,000 | | |
| | | 61,500 | | 61,500 |

টকাৰ বৃদ্ধি পাইছে আৰু 24,000 টকা পৰ্য্যন্ত হৈছে। অগ্ৰিম প্ৰদত্ত দৰমহাৰ লগত জড়িত শিতানসমূহ আকৌ উদ্বৃত্ত পত্ৰৰ সম্পত্তি দিশত তলত দিয়া ধৰণেৰে দেখুওৱা হয় ঃ

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| মালিকৰ পুঁজি | | | | |
| মূলধন | 12,000 | | অনাচলিত সম্পত্তি | 15,000 |
| যোগ ঃ লাভ | 24,000 | 36,000 | আচবাব | 15,500 |
| অনাচলিত দেনা | | | চলিত সম্পত্তি দেনাদাৰ | **5,000** |
| দীৰ্ঘকালীন ঋণ | | 5,000 | অগ্ৰিম প্ৰদত্ত দৰমহা | 5,000 |
| চলিত দেনা | | | বেংকৰ জমা | 1,000 |
| পাওনাদাৰ | | 15,000 | নগদ জমা | 15,000 |
| অপ্ৰদত্ত মজুৰি | | 500 | **সামৰণী মজুত পণ্য** | |
| | | **56,500** | | **56,500** |

## 10·5 উপাৰ্জিত আয়

চলিত বছৰৰ ভিতৰত এনেকুৱা কিছুমান শিতান আছে যিবোৰ আয় বছৰটোৰ ভিতৰত পাবলগীয়া আছিল কিন্তু উক্ত বছৰটোৰ অন্তত আচলতে পোৱা হোৱা নাই, এনে ধৰণৰ আয়ক উপাৰ্জিত আয় বুলি জনা যায়। উপাৰ্জিত আয়ৰ বাবে সংযোজিত প্ৰবিষ্টি হ'ল ঃ

উপাৰ্জিত আয় হিচাপ - ডেঃ

নিৰ্দ্দিষ্ট আয় হিচাপলৈ

উপাৰ্জিত আয়ৰ পৰিমান সংশ্লিষ্ট আয়ৰ লগত যোগ কৰি লাভ লোকচান হিচাপত দেখুওৱা হয় আৰু উপাৰ্জিত আয়ৰ নতুন হিচাপ উদ্বৃত্ত পত্ৰৰ সম্পত্তি দিশত উপস্থাপন কৰা হয়।

উদাহৰণস্বৰূপে, ধৰা হ'ল অংকিতে তেওঁৰ লগৰ ব্যৱসায়ী এজনক কিছুমান ব্যৱসায়ীৰ লগত নতুনকৈ চিনাকি কৰাই সহায় কৰি সেৱা দিয়াৰ বাবে দস্তুৰি লাভ কৰিছে। তোমালোকে প্ৰত্যক্ষ কৰিলে দেখা পাবা অংকিতৰ উদ্বৃত্ত মিলন পত্ৰত দস্তুৰি প্ৰাপ্তিৰ বাবদ 5,000 টকা দেখুওৱা হৈছে। ধৰি লোৱা তেওঁৰ কাষৰ ব্যৱসায়ীজনৰ পৰা দস্তুৰিৰ বাবদ 1,500 টকা এতিয়াও প্ৰাপ্য/পাবলগীয়া হৈ আছে।

দস্তুৰিৰ বাবদ 2004-05 চনত আয় হিচাপে 6,500 টকা (5,000 টকা+1,500 টকা) হ'ব। অংকিতে উপাৰ্জিত আয়বোৰ সংযোজন প্ৰবিষ্টিৰ প্ৰয়োজন হোৱাত তলত দিয়া ধৰণে লিপিবদ্ধ কৰিব লাগিব।

| | | |
|---|---|---|
| উপাৰ্জিত দস্তুৰি হিচাপ ডেবিট | 1,500 | |
| দস্তুৰি হিচাপলৈ | | 1,500 |

উপার্জিত দস্তুৰিৰ হিচাপক ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপও তলত দিয়া ধৰণে লিপিবদ্ধ কৰিব লাগে।

**অংকিতৰ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ**

2005 চনৰ 31 মাৰ্চৰ অন্তত

ডেঃ ক্রেঃ

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ক্রয় | | 75,000 | বিক্রী | | 125,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | | 15,000 |
| যোগ ঃ অপ্রদত্ত | 500 | 8,500 | | | |
| মুঠ লাভ আগলৈ | | 56,500 | | | |
| | | 1,40,000 | | | 1,40,000 |
| দৰমহা | 25,000 | | মুঠ লাভ আগৰ পৰা | | 56,500 |
| বাদ অগ্রিম প্রদত্ত | 5,000 | 20,000 | | | |
| দৰমহা | | 13,000 | প্রাপ্ত দস্তুৰি | 5,000 | |
| ভৱনৰ ভাড়া | | | যোগ, উপার্জিত | | |
| অনুদ্ধাৰণীয় ঋণ | | 4,500 | দস্তুৰি | 1,500 | 6,500 |
| প্রকৃত লাভ (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | | 25,500 | | | |
| | | 63,000 | | | 63,000 |

**উদ্বৃত্ত পত্র 2005 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | |
| মূলধন | 12,000 | | আচবাব | 15,000 |
| যোগ ঃ লাভ | 25,000 | 37,500 | চলিত সম্পত্তি | |
| অনাচলিত দেনা | | | দেনাদাৰ | 15,500 |
| দীৰ্ঘকালীন ঋণ | | 5,000 | অগ্রিম প্রদত্ত দৰমহা | 5,000 |
| চলিত দেনা | | | উপার্জিত দস্তুৰি | 1,500 |
| পাওনাদাৰ | | 15,000 | বেংকত জমা | 5,000 |
| অপ্রদত্ত মজুৰি | | 500 | নগদ জমা | 1,000 |
| | | | **সামৰণী মজুত পণ্য** | 15,000 |
| | | **58,000** | | **58,000** |

ভালদৰে মন কৰিলে দেখা পাবা যে উপাৰ্জিত আয়ে প্ৰকৃত লাভৰ পৰিমাণ বৃদ্ধি কৰিছে 1,500 টকাৰে আৰু এই লাভ 25,500 টকা হৈছেগৈ। আকৌ অংকিতৰ উদ্বৃত্ত পত্ৰত উপাৰ্জিত আয় সম্পত্তিৰ দিশত চলিত সম্পত্তি শিতানত তলত দিয়া দৰে দেখুওৱা হয় ঃ

**10·6 অগ্ৰিম প্ৰাপ্ত আয়**

কেতিয়াবা কিছুমান এনেধৰণৰ আয় প্ৰাপ্ত হয় যিবোৰ আয় চলিত বছৰৰ ভিতৰতপ্ৰাপ্তি কিন্তু ইয়াৰে সকলোখিনি আয় চলিত বছৰৰ বাবে নহয় যিখিনি অংশ পৰৱৰ্ত্তী বছৰৰ বাবে বুলি কোৱা হয়। অগ্ৰিম প্ৰাপ্ত আয়ৰ বাবে সংযোজন প্ৰবিষ্টি তলত দিয়া হ'ল ঃ

নিৰ্দ্দিষ্ট আয় হিচাপ - ডেবিট

অগ্ৰিম প্ৰাপ্ত আয় হিচাপলৈ

এই প্ৰবিষ্টিৰ বাবে আয় হিচাপৰ উদ্বৃত্ত, চলিত বিত্তীয় বছৰৰ উপাৰ্জিত আয় হিচাপৰ লগত সমান হয়। আৰু নতুনকৈ খোলা অগ্ৰিম প্ৰাপ্ত আয় হিচাপ উদ্বৃত্ত পত্ৰৰ দেনাৰ দিশত দেখুওৱা হয়।

উদাহৰণস্বৰূপে, ধৰা হ'ল 2005 চনৰ 31 মাৰ্চত অংকিতে তেওঁৰ কাষৰে দোকানী এজনক তেওঁৰ ভৱনৰ কিছু অংশ প্ৰতিমাহে 1,000 টকাকৈ ঘৰভাড়া হিচাপে দিবলৈ সন্মতি প্ৰকাশ কৰিছে আৰু ব্যক্তিজনে আগন্তুক 3 মাহৰ ভাড়া এপ্ৰিল, মে আৰু জুন ৰ আগতীয়াকৈ প্ৰদান কৰিছে আৰু প্ৰাপ্ত টকাৰ পৰিমাণ লাভ-লোকচান হিচাপত ক্ৰেডিট কৰা হয়। কিন্তু প্ৰকৃততে এই আয় সমূহ চলিত আয় নহয় আৰু লাভ-লোকচান হিচাপত ক্ৰেডিট কৰিব নালাগে। এই আয়বোৰ অগ্ৰিম প্ৰাপ্ত আয় আৰু স্বীকৃত দেনা হিচাপে পৰিগণিত 3,000 টকা। অগ্ৰিম প্ৰাপ্ত আয়ৰ বাবে অংকিতৰ প্ৰয়োজনীয় সংযোজন প্ৰবিষ্টি তলত দিয়া হ'ল ঃ

প্ৰাপ্ত ঘৰ ভাড়া হিচাপ - ডেঃ 3,000

অগ্ৰিম প্ৰাপ্ত ঘৰ ভাড়া হিচাপলৈ 3,000

**2005 চনৰ 31 মাৰ্চত অংকিতৰ উদ্বৃত্ত পত্ৰ**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| মাসিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | |
| মূলধন | 12,000 | | আচবাব | 15,000 |

| | | | |
|---|---|---|---|
| যোগ ঃ প্ৰকৃত লাভ 25,000 | 37,500 | চলিত সম্পত্তি | |
| অনাচলিত দেনা | | দেনাদাৰ | 15,500 |
| দীৰ্ঘকালীন ঋণ | 5,000 | অগ্ৰিম প্ৰদত্ত দৰমহা | 5,000 |
| চলিত দেনা | | উপাৰ্জিত দস্তুৰি | 1,500 |
| পাওনাদাৰ | 15,000 | বেংকৰ জমা | 5,000 |
| অপ্ৰদত্ত মজুৰি | 500 | নগদ জমা | 4,000 |
| অগ্ৰিমপ্ৰাপ্ত ঘৰভাড়া | 3,000 | **সামৰণী মজুত পণ্য** | 15,000 |
| | 61,000 | | 61,000 |

ইয়াৰ বাবে অগ্ৰিম প্ৰাপ্ত ঘৰ ভাড়াৰ বাবে নতুনকৈ হিচাপ খোলা হয় আৰু তলত উল্লেখ কৰা ধৰণে উপস্থাপন কৰা হ'ল ঃ

**10·7 অৱক্ষয়**

সপ্তম অধ্যায়ত মনত পৰা- স্থায়ী সম্পত্তিৰ ওপৰত ব্যৱহাৰজনিত ক্ষয় আৰু কালাবৰ্তনৰ ফলত হোৱা মূল্য হ্ৰাসকে অৱক্ষয় বোলা হয়। ইয়াক ব্যৱসায়ৰ ব্যয় বুলি গণ্য কৰি লাভ-লোকচান হিচাপত ডেবিট কৰা হয়। ব্যৱসায়ত লাভ অৰ্জনৰ কাৰণে ব্যৱহাৰ হোৱা সম্পত্তিৰ মূল্য হ্ৰাসৰ লোকচানখিনি লাভ-লোকচান হিচাপত এইদৰে ডেবিট কৰা হয়। অৱক্ষয়ৰ বাবে আৱশ্যকীয় প্ৰবিষ্টি হ'ল -

অৱক্ষয় হিচাপ ডেবিট
নিৰ্দ্দিষ্ট সম্পত্তি হিচাপলৈ

উদ্বৃত্ত পত্ৰত সম্পত্তিবোৰ মূল্যৰ পৰা অৱক্ষয় বাদ দি দেখুওৱা হয়। উদাহৰণস্বৰূপে, আমাৰ অংকিতৰ উদ্বৃত্ত মিলন পত্ৰ মতে অংকিতৰ 15,000 টকাৰ আচবাব পত্ৰ আছে। ধাৰ লোৱা হ'ল আচবাব পত্ৰত 10% অৱক্ষয় বাদ দিব লাগে। ইয়াৰ অৰ্থ হ'ল অংকিতে মানি ল'ব লাগিব যে বছৰৰ শেষত আচবাবৰ মূল্য 1,500 টকা (1,500 টকা x 10%) কমি যাব। অংকিতে ইয়াৰ বাবে আচবাবত অৱক্ষয় বাদ দিয়াৰ বাবে তলত দিয়া সংযোজন প্ৰবিষ্টি কৰিব লাগিব -

অৱক্ষয় হিচাপ ডেবিট 1,500 টকা
আচবাব পত্ৰ হিচাপলৈ 1,500 টকা

লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰত অৱক্ষয় তলত দিয়া ধৰণে দেখুওৱা হ'ব -

## অংকিতৰ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ

**2005 চনৰ 31 মাৰ্চত**

ডেঃ ক্রেঃ

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ক্রয় | | 75,000 | বিক্রী | | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | | 15,000 |
| যোগ ঃ অপ্রদত্ত মজুৰি | (500) | 8,500 | | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | | |
| | | 1,40,000 | | | 1,40,000 |
| দৰমহা | 25,000 | | মুঠ লাভ, আগৰ পৰা | | 56,500 |
| বাদ অগ্রিম প্রদত্ত দৰমহা | (5,000) | 20,000 | প্রাপ্র দস্তুৰি | 5,000 | |
| ভৰনৰ ভাড়া | | 13,000 | যোগ উপাৰ্জিত | | |
| অৰক্ষয় 10% আচবাব পত্র | | 1,500 | দস্তুৰি | 1,500 | 6,500 |
| অনুদ্ধাৰণীয় ঋণ | | 4,500 | | | |
| প্রকৃত লাভ (অংকিতৰ মূলধনলৈ স্থানান্তৰ) | | 24,000 | | | |
| | | 63,000 | | | 63,000 |

গতিকে দেখা গ'ল যে অৰক্ষয়ৰ সংযোজনৰ ফলত প্রকৃত লাভ কমিছে। এতিয়া অৰক্ষয় উদ্বৃত্ত পত্রত কেনেকৈ দেখুওৱা হ'ব –

## উদ্বৃত্ত পত্র

**2005 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | | |
| মূলধন | 12,000 | | আচবাব পত্র | 15,000 | |
| যোগ প্রকৃত লাভ | 24,000 | 36,000 | বাদ অৰক্ষয় | 1,500 | 13,500 |
| অনাচলিত দেনা | | | চলিত সম্পত্তি – | | 15,500 |
| দীৰ্ঘকালীন ঋণ | | 5,000 | দেনাদাৰ | | |

| | | | |
|---|---|---|---|
| চলিত দেনা | | অগ্রিম প্রদত্ত দৰমহা | 5,000 |
| পাওনাদাৰ | 15,000 | উপাৰ্জিত দস্তুৰি | 1,500 |
| অপ্রদত্ত মজুৰি | 500 | বেংকত জমা | 5,000 |
| অগ্রিম প্রাপ্ত ঘৰ ভাড়া | 3,000 | নগদ জমা | 4,000 |
| | | **সামৰণী মজুত পণ্য** | **15,000** |
| | 59,500 | | 59,500 |

## 10·8 অনুদ্ধাৰণীয় ঋণ

ব্যৱসায় প্রতিষ্ঠানে গ্রাহক তথা দেনাদাৰৰ পৰা পাবলগীয়া ধন আদায়ৰ কৰিব নোৱাৰিলে তেনে ধনক অনুদ্ধাৰণীয় ঋণ বুলি কোৱা হয়। ই এক প্রকাৰ লোকচান, ইয়াক অনুদ্ধাৰণীয় ঋণ বুলি গণ্য কৰা হয়। অনুদ্ধাৰণীয় ঋণৰ বাবে তলত দিয়া প্রবিষ্টি লিপিবদ্ধ কৰা হয় -

অনুদ্ধাৰণীয় ঋণ হিচাপ ডেঃ

দেনাদাৰৰ হিচাপলৈ

তুমি দেখা পাবা অংকিতৰ উদ্বৃত্ত মিলন পত্রত অনুদ্ধাৰণীয় ঋণৰ পৰিমাণ 4,500 টকা আছে। আনহাতে অংকিতৰ মুঠ দেনাদাৰৰ পৰিমাণ হৈছে 15,500 টকা। এই অনুদ্ধাৰণীয় ঋণ উদ্বৃত্ত মিলন পত্রত থকাৰ অৰ্থ হ'ল যে অংকিতৰ বছৰটোত অনুদ্ধাৰণীয় ঋণৰ বাবে লোকচান হৈছে আৰু ইয়াক হিচাপত ইতিমধ্যে লিপিবদ্ধ কৰা হৈছে।

আনহাতে ধৰি লোৱা হ'ল তেওঁৰ দেনাদাৰ জমলৰ মাজেৰে এজন দেনাদাৰে 2,500 দিব লগা আছিল কিন্তু সেই দেনাদাৰজন দেউলীয়া হৈছে আৰু তেওঁৰ পৰা কোনো টকা পোৱা নাযায়। কিন্তু চলিত বৰ্ষটোত এই অনুদ্ধাৰণীয় ঋণখিনি হিচাপত অন্তৰ্ভুক্ত কৰাটো আৱশ্যক। উক্ত পৰিস্থিতি উদ্ভৱ হ'লে তাক অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ হিচাপে দিয়া থাকিব। সংযোজন প্রবিষ্টিত উক্ত টকাৰ পৰিমাণখিনিক তলত দিয়া ধৰণে লিপিবদ্ধ কৰিব লাগে। অংকিতে ইয়াৰ উদ্দেশ্য তলত দিয়া সংযোজন প্রবিষ্টি লিপিবদ্ধ কৰাৰ কাৰণে প্রয়োজনীয় হ'ব -

অনুদ্ধাৰণীয় ঋণ হিচাপ ডেবিট 2,500

দেনাদাৰৰ হিচাপলৈ - 2,500

এই প্রবিষ্টিটোৰ বাবে দেনাদাৰৰ পৰিমাণ 13,000 টকালৈ (15,500-2,500) হ্রাস পাব আৰু অনুদ্ধাৰণীয় ঋণৰ পৰিমাণ 7,000 টকালৈ (4,500+2,500 ) টকা বৃদ্ধি পাব।

**অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ**

2005 **চনৰ** 31 **মাৰ্চৰ অন্তত**

ডেঃ ক্ৰেঃ

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ক্ৰয় | | 75,000 | বিক্ৰী | | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | | 15,000 |
| যোগ ঃ অপ্ৰদত্ত মজুৰি | 500 | 8,500 | | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | | |
| | | 1,40,000 | | | 1,40,000 |
| | | | মুঠ লাভ, আগৰ পৰা | | 56,500 |
| দৰমহা | 25,000 | | প্ৰাপ্ত দস্তুৰি | 5,000 | |
| বাদ অগ্ৰীম প্ৰদত্ত দৰমহা | (5,000) | 20,000 | যোগ উপাৰ্জিত | | |
| ভৱনৰ ভাড়া | | 13,000 | দস্তুৰি | 1,500 | 6,500 |
| অৱক্ষয় আচবাবৰ | | 1,500 | | | |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | | | |
| যোগ অতিৰিক্ত | | | | | |
| অনুদদ্ধাৰণীয় ঋণ | 2,500 | 7,000 | | | |
| প্ৰকৃত লাভ (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | | 21,500 | | | |
| | | 63,000 | | | 63,000 |

**অংকিতৰ উদ্বৃত্ত পত্ৰ**

**2005 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | | |
| মূলধন | 12,000 | | আচবাব | 15,000 | |
| যোগ ঃ লাভ | 21,500 | | বাদ অৱক্ষয় | 1,500 | 13,500 |
| অনাচলিত দেনা | | 33,500 | চলিত সম্পত্তি | | |

| | | | | |
|---|---|---|---|---|
| দীৰ্ঘকালীন ঋণ | 5,000 | দেনাদাৰ | 15,500 | |
| | | বাদ ঃ অতিৰিক্ত | | |
| চলিত দেনা আৰু পুঁজি | | অনুদ্ধাৰণীয় ঋণ | 2,500 | 13,000 |
| পাওনাদাৰ | 15,000 | অগ্ৰিম প্ৰদত্ত দৰমহা | | 5,000 |
| | | উপাৰ্জিত দস্তুৰি | | 1,500 |
| অপ্ৰদত্ত মজুৰি | 500 | বেংকৰ জমা | | 5,000 |
| | | নগদ জমা | | 4,000 |
| অগ্ৰিম প্ৰাপ্ত ঘৰভাড়া | 3,000 | **সামৰণী মজুত পণ্য** | | **15,000** |
| | 57,000 | | | 57,000 |

এই অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰত তলত উল্লেখ কৰা ধৰণে দেখুওৱা হয় ঃ

### 10·9 সন্দেহজনক অনুদ্ধাৰণীয় ঋণৰ বাবে ভৱিষ্য ব্যৱস্থা

ওপৰৰ উদ্বৃত্ত পত্ৰ খনত দেনাদাৰৰ পৰিমাণ (13,000) টকা এতিয়া দেখুউৱা হৈছে যিখিনি পৰৱৰ্ত্তী বছৰটোত দেনাদাৰৰ পৰা আদায় কৰিব পৰা যাব। উল্লেখযোগ্য যে এই দেনাদাৰৰ সম্পূৰ্ণ পৰিমাণ ভৱিষ্যতে আদায় নহ'বও পাৰে আৰু সঠিকভাবে কিমানখিনি অনুদ্ধাৰণীয় ঋণ হ'ব তাকো ভালদৰে গম নাপায়। সেই কাৰণে এই লোকচানৰ পৰিমাণ আনুমানিক হিচাপে ধাৰ্য্য কৰি গণনা কৰিব লাগে। এনে আনুমানিক হিচাপে ধাৰ্য্য কৰা পুঁজিক সন্দেহজনক অনুদ্ধাৰণীয় ঋণ বুলি জনা যায় আৰু লাভ-লোকচান হিচাপত ডেবিট কৰা হয়। ইয়াৰ বাবে তলত দিয়া ধৰণে জাবেদা প্ৰবিষ্টি দিয়া হয় ঃ

লাভ-লোকচান হিচাপ - ডেবিট

সন্দেহজনক ঋণ পুঁজি হিচাপলৈ

সন্দেহজনক ঋণ পুঁজি উদ্বৃত্ত সম্পত্তিৰ দিশত মুঠ দেনাদাৰৰ পৰা বিয়োগ কৰি দেখুওৱা হয়।

ধৰি লোৱা হ'ল 2005 চনৰ 31 মাৰ্চত পৰৱৰ্ত্তী বছৰৰ বাবে অংকিতে ধাৰণা কৰিছে যে মুঠ দেনাদাৰৰ 5% দেনাদাৰে তেওঁলোকে আদায় দিব লগা ধন আদায়কৃত নহ'ব পাৰে। ইয়াৰ অৰ্থ

এইটো যে পুণৰ অনুদ্ধাৰণীয় ঋণ 650 টকা (13,000 টকা x 5%) হ'ব। ইয়াৰ বাবে আৱশ্যকীয় সংযোজন প্রবিষ্টি হ'ল

লাভ-লোকচান হিচাপ ডেঃ - 650
সন্দেহজনক ঋণ পুঁজি হিচাপলৈ 650

সন্দেহজনক ঋণ পুঁজিৰ কাৰণে চলিত বৰ্ষত লাভৰ পৰিমাণ 650 টকা হ্রাস পাব আৰু মুঠ দেনাদাৰৰ পৰা ইয়াক বিয়োগ কৰি দেখুৱা হয়।

**অংকিতৰ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ**
**2005 চনৰ 31 মাৰ্চৰ অন্তত**

**ডেবিট** **ক্রেডিট**

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ক্রয় | | 75,000 | বিক্রী | | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | | 15,000 |
| যোগ ঃ অপ্রদত্ত | 500 | 8,500 | | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | | |
| | | 1,40,000 | | | 1,40,000 |
| দৰমহা | 25,000 | | | | |
| বাদ, অগ্রিম প্রদত্ত দৰমহা | 5,000 | 20,000 | মুঠ লাভ, আগৰ পৰা | | 56,500 |
| ভৱনৰ ভাড়া | | 13,000 | প্রাপ্র দস্তুৰি | 5,000 | |
| | | | যোগ উপাৰ্জিত | | |
| অৱক্ষয়ৰ আচবাব | | 1,500 | দস্তুৰি | 1,500 | 6,500 |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | | | |
| যোগ, অতিৰিক্ত | | | | | |
| অনুদ্ধাৰণীয় ঋণ | 2,500 | | | | |
| সন্দেহজনক ঋণ পুঁজি | | 7,000 | | | |
| প্রকৃত লাভ (অংকিতৰ মূলধন | | 650 | | | |
| হিচাপলৈ স্থানান্তৰ) | | 20,850 | | | |
| | | **63,000** | | | **63,000** |

### অংকিতৰ উদ্বৃত্ত পত্ৰ
### 2005 চনৰ 31 মাৰ্চত

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| গৰাকীৰ পুঁজি | | | অনা চলিত সম্পত্তি আচবাব | | |
| মূলধন | 12,000 | | বাদ অৱক্ষয় | 15,000 | |
| যোগ ঃ প্ৰকৃত লাভ | 20,850 | 32,850 | চলিত সম্পত্তি | (1,500) | 13,500 |
| অনা চলিত দেনা | | | দেনাদাৰ | **15,500** | |
| দীৰ্ঘকালীন ঋণ | | 5,000 | বাদ, অতিৰিক্ত | | |
| | | | অনুদ্ধাৰণীয় ঋণ | **2,500** | |
| | | | | 13,000 | |
| | | | বাদ, সন্দেহজনক | | |
| | | | ঋণ পুঁজি | **650** | **12,350** |
| চলিত দেনা আৰু ভবিষ্যত | | | অগ্ৰিম প্ৰদত্ত দৰমহা | | 5,000 |
| ব্যৱস্থাপাওনাদাৰ | | 15,000 | আৰ্জিত দস্তুৰি | | 1,500 |
| অপ্ৰদত্ত মজুৰি | | 500 | বেংকৰ জমা | | 5,000 |
| অগ্ৰিম প্ৰাপ্ত ঘৰভাড়া | | 3,000 | নগদ জমা | | 4,000 |
| | | | **সামৰণী মজুত** | | 15,000 |
| | | **56,350** | | | **56,350** |

এইটো কব পাৰি যে কোনো এটা বছৰৰ সন্দেহজনক ঋণ পুঁজিৰ পৰিমাণ পৰৱৰ্ত্তী বছৰলৈ অনা হয় আৰু তাৰ পিছৰ বছৰটোত অনুদ্ধাৰণীয় ঋণ হিচাপে লোকচান দেখুওৱা হয়। আগৰ বছৰটোত উদ্ভৱ হোৱা সন্দেহজনক ঋণ পিছৰ বছৰটোত আৰম্ভণী পুঁজি বা পুৰণি পুঁজি বুলি জনা যায়। অনুদ্ধাৰণীয় ঋণৰ যেতিয়া উদ্ভৱ হয় তেতিয়া এনে ঋণৰ বাবদ হোৱা লোকচান বৰ্ত্তমান বিত্তীয় বছৰৰ হিচাপত সংযোজন কৰা হয়, ঠিক একেদৰে যেতিয়া সন্দেহজনক ঋণ পুঁজিৰ চলিত বছৰৰ শেষত গঠন কৰা হয় আৰু ইয়াক নতুন পুঁজি বুলিও কোৱা হয়। উদ্বৃত্ত মিলন পত্ৰত থকা পুৰণি পুঁজিৰ উদ্বৃত্ত হিচাপত অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন।

অনুদ্ধাৰণীয় ঋণ আৰু সন্দেহজনক ঋণ পুঁজি কেনেকৈ লিপিবদ্ধ কৰা হয় তাক বুজি পোৱাৰ বাবে এটা উদাহৰণ লোৱা হ'ল।

2005 চনৰ 31 মাৰ্চত উদ্বৃত্ত মিলন পত্ৰৰ পৰা তলত দিয়া তথ্যখিনি লোৱা হৈছে।

| | টকা |
|---|---|
| বিভিন্ন দেনাদাৰ | 32,000 |
| অনুদ্ধাৰণীয় ঋণ | 2,000 |
| সন্দেহজনক ঋণ পুঁজি | 3,500 |

**অতিৰিক্ত তথ্য ঃ**

অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 1,000 টকা বিলোপন কৰিব লাগে আৰু সন্দেহজনক ঋণৰ বাবদ দেনাদাৰৰ ওপৰত 5% পুঁজি গঠন কৰিব লাগে।

এনে ক্ষেত্ৰত তলত দিয়া ধৰণে জাবেদা প্ৰবিষ্টি দিয়া হয়।

| তাৰিখ | বিৱৰণ | খঃ পৃঃ | ডেবিট টকাৰ পৰিমাণ | ক্ৰেডিট টকাৰ পৰিমাণ |
|---|---|---|---|---|
| | (a) অনুদ্ধাৰণীয় ঋণ হিচাপ -ডেঃ | | 1,000 | |
| | বিভিন্ন দেনাদাৰ হিচাপলৈ | | | 1,000 |
| | (অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ) | | | |
| | (b) সন্দেহজনক ঋণ পুঁজি হিচাপ -ডেঃ | | 3,000 | |
| | অনুদ্ধাৰণীয় ঋণ হিচাপলৈ | | | 3,000 |
| | (অনুদ্ধাৰণীয় ঋণ ভবিষ্যব্যৱস্থাৰ লগত সংযোজন) | | | |
| | লাভ-লোকচান হিচাপ -ডেঃ | | 1,050 | |
| | সন্দেহজনক ঋণ পুঁজি হিচাপলৈ | | | 1,050 |
| | (ধাৰ্য্য কৰা ঋণ লাভ-লোকচান হিচাপ ধাৰ্য্য কৰা) | | | |

## লাভ-লোকচান হিচাপ
## 2005 চনৰ 31 মাৰ্চৰ অন্তত

ডেঃ ক্ৰেঃ

| বিৱৰণ | টকাৰ পৰিমাণ | বিৱৰণ | টকাৰ পৰিমাণ |
|---|---|---|---|
| সন্দেহজনক ঋণৰ ভবিষ্য ব্যৱস্থা<br>অনুদ্ধাৰণীয় ঋণ 2,000<br>অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 1,000<br>নতুন পুঁজি 1,550<br>4,550<br>বাদঃ পুৰণি পুঁজি 3,500 | 1,050 | | |

* মাত্ৰ নিৰ্দিষ্ট তথ্যবোৰ দিয়া হৈছে

## উদ্বৃত্ত পত্ৰ
## 2005 চনৰ 31 মাৰ্চত

| | | | |
|---|---|---|---|
| | | বিভিন্ন দেনাদাৰ 32,000<br>বাদ অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 1,000<br>31,000<br>বাদ সন্দেহজনক ঋণৰ ভবিষ্য ব্যৱস্থা পুঁজি 1,550 | 29,450 |

* মাত্ৰ নিৰ্দিষ্ট তথ্যবোৰ দিয়া হৈছে

**টোকা** ঃ নতুন সন্দেহজনক ঋণ পুঁজি তলত দিয়া ধৰণে গণনা কৰা হয়।

$$31{,}000 \times \frac{5}{100} = 1{,}550 \text{ টকা।}$$

## 10·10 দেনাদাৰৰ ওপৰত বাট্টাৰ ভৱিষ্য ব্যৱস্থা

দেনাদাৰৰ পৰা দেয় ধন খৰতকীয়া সংগ্ৰহৰ বাবে ব্যৱসায়ীসকলে দেনাদাৰলৈ বাট্টা আগবঢ়ায়। এটা বিত্তীয় বছৰত দেনাদাৰক কিমান পৰিমাণৰ বাট্টা প্ৰদান কৰা হ'ব তাক আনুমানিক হিচাপে ধৰি লৈ দেনাদাৰৰ ওপৰত বাট্টা পুঁজি গঠন কৰিব লাগে। অনুদ্ধাৰণীয় ঋণ আৰু সন্দেহজনক ঋণ পুজিঁৰ পৰিমাণ বাদ দিয়াৰ পিচত থকা উত্তম দেনাদাৰৰ পৰিমাণৰ ওপৰত বাট্টাৰ ভবিষ্য ব্যবস্থা গঠন কৰা হয়। দেনাদাৰৰ ওপৰত বাট্টাৰ ভৱিষ্য ব্যবস্থাৰ বাবে তলত দিয়া জাবেদা প্ৰবিষ্টি কৰা হয় লাভ লোকচান হিচাপ ডেঃ দেনাদাৰৰ ওপৰত বাট্টা ভবিষ্য ব্যবস্থা হিচাপলৈ।

ওপৰত আলোচনা কৰাৰ দৰে দেনাদাৰৰ ওপৰত বাট্টাৰ ভবিষ্য ব্যৱস্থা কেবল উত্তম দেনাদাৰৰ ওপৰতহে কৰা হ'য় । দেনাদাৰৰ পৰিমাণৰ পৰা সন্দেহজনক ঋণ বাদ দিয়াৰ পিছত ইয়াক গণনা কৰা হয় অৰ্থাৎ 12,350 টকা (1300 টকা -650টকা)

অংকিতৰ বাবে প্ৰয়োজনীয় সংযোজন প্ৰবিষ্টি হ'ল -

লাভ-লোকচান হিচাপ -ডেঃ 227 টকা

দেনাদাৰৰ বাট্টা পুঁজি হিচাপলৈ 227 টকা

দেয় ধন খৰতকীয়া সংগ্ৰহৰ বাবে দিয়া বাট্টাৰ কাৰণে চলিত বছৰৰ লাভ 227 টকা কমি যাব। উদ্বৃত্ত পত্ৰত দেনাদাৰৰ মুঠ পৰিমাণৰ পৰা বিয়োগ কৰি দেখুওৱা হয় আৰু দেনাদাৰৰ পৰা উক্ত ধনখিনি 12,123 টকা আদায়কৃত কৰিব পৰা যাব।

**অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ**

**2005 চনৰ 31 মাৰ্চৰ অন্তত**

ডেঃ ক্ৰেঃ

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| ক্ৰয় | | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | 15,000 |
| যোগ ঃ অপ্ৰদত্ত | | | | |
| মজুৰি | 500 | 8,500 | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | |
| | | 1,40,000 | | 1,40,000 |

| | | | |
|---|---|---|---|
| দৰমহা 25,000<br>বাদ অগ্ৰিম প্ৰদত্ত দৰমহা (5,000) | 20,000 | মুঠ লাভ, আগৰ পৰা | 56,500 |
| ভৱনৰ ভাড়া | 13,000 | প্ৰাপ্ত দস্তুৰি 5,000 | |
| অৱক্ষয় আচবাবৰ | 1,500 | যোগ, উপাৰ্জিত দস্তুৰি 1,500 | 6,500 |
| অনুদ্ধাৰণীয় ঋণ 4,500<br>যোগ অতিৰিক্ত<br>অনুদ্ধাৰণীয় ঋণ 2,500 | 7,000 | | |
| সন্দেহজনক ঋণ পুঁজি ——— | 650 | | |
| দেনাদাৰৰ ওপৰত বাট্টা পুঁজি | 227 | | |
| প্ৰকৃত লাভ<br>( অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ) | 20,623 | | |
| | **63,000** | | **63,000** |

**অংকিতৰ উদ্বৃত্ত পত্ৰ**

**2005 চনৰ 31 মাৰ্চত**

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| মালিকৰ পুঁজি | | অনাচলিত সম্পত্তি | |
| মূলধন 12,000 | | আচবাব 15,000 | |
| যোগ প্ৰকৃত লাভ 20,623 | 32,623 | বাদ অৱক্ষয় (1,500) | 13,500 |
| অন্যচলিত দেনা | | চলিত সম্পত্তি | |
| দীৰ্ঘকালীন ঋণ | 5,000 | **দেনাদাৰ 15,500** | |
| | | **বাদ অতিৰিক্ত 2,500** | |
| চলিত দেনা আৰু পুঁজি | | **অনুদ্ধাৰণীয় ঋণ 13,000** | |
| পাওনাদাৰ | 15,000 | **বাদ সন্দেহজনক** | |
| | | **ঋণ পুঁজি 650** | |
| অপ্ৰদত্ত মজুৰি | 500 | **12,350** | |
| অগ্ৰিম প্ৰাপ্ত ঘৰ ভাড়া | 3,000 | | |

| | | | |
|---|---|---|---|
| | | বাদ, দেনাদাৰৰ ওপৰত বাট্টা পুঁজি 227 | 12,123 |
| | | অগ্রিম প্রদত্ত দৰমহা | 5,000 |
| | | উপার্জিত দস্তুৰি | 1,500 |
| | | বেংকৰ জমা | 5,000 |
| | | নগদ জমা | 4,000 |
| | | সামৰণী মজুত পণ্য | 15,000 |
| | 56,123 | | 56,123 |

পৰবৰ্ত্তী বছৰত এই বাট্টাৰ পৰিমাণ দেনাদাৰৰ ওপৰত ধাৰ্য্য কৰা বাট্টা পুঁজি হিচাপলৈ স্থানান্তৰ কৰিব লাগে। এই বাট্টা পুঁজিৰ হিচাপ সন্দেহজনক পুঁজিৰ হিচাপৰ নিচিনাকৈ গণ্য কৰি লিপিবদ্ধ কৰা হয়।

## 10·11 মেনেজাৰৰ দস্তুৰি (Manager's Commission)

ব্যৱসায়ৰ মেনেজাৰক কেতিয়াবা কোম্পানীৰ প্ৰকৃত লাভৰ ওপৰত দস্তুৰি দিয়া হয়। মেনোজাৰৰ দস্তুৰি বাদ দিয়াৰ আগৰ প্ৰকৃত লাভৰ ওপৰত বা বাদ দিয়াৰ পিছৰ প্ৰকৃত লাভৰ ওপৰত এটা নিৰ্দ্দিষ্ট হাৰত ইয়াক গণনা কৰা হয়। উপৰোক্ত তথ্যৰ অবিহনে দস্তুৰিৰ পৰিমাণ এক নিৰ্দ্দিষ্ট হাৰত বাদ দিয়াৰ আগৰ প্ৰকৃত লাভৰ ওপৰত ধাৰ্য্য কৰা হয়।

ধৰা হ'ল দস্তুৰী বাদ পূৰ্বে ব্যৱসায়ৰ প্ৰকৃত লাভৰ পৰিমাণ 110 টকা। যদি মেনেজাৰৰ দস্তুৰী বাদ দিয়াৰ আগতে 10% হাৰত দস্তুৰি লাভ কৰে, তেতিয়া মেনেজাৰৰ দস্তুৰি তলত দিয়া ধৰণে গণনা কৰা হয়।

$= 110$ টকা $\times \frac{10}{110}$

$= 110$ টকা

মেনেজাৰৰ দস্তুৰি বাদ দিয়াৰ পিছৰ লাভৰ ওপৰত যদি দস্তুৰি পায় তেতিয়া দস্তুৰি গণনা কৰা হ'ব ঃ

$= \text{দস্তুৰি বাদ দিয়াৰ আগৰ প্ৰকৃত লাভ} \times \frac{\text{দস্তুৰি হাৰ}}{100 + \text{দস্তুৰি হাৰ}}$

$$= 110 \times \frac{10}{110} = 10$$

মেনেজাৰক দিবলগীয়া দস্তুৰিৰ বাবে সংযোজন প্ৰবিষ্টি হিচাপত বহীত তলত দিয়া ধৰণে লিপিবদ্ধ কৰা হয়।

লাভ-লোকচান হিচাপ - ডেঃ

মেনেজাৰৰ দস্তুৰি হিচাপলৈ

আমি আকৌ আগৰ উদাহৰণটোকে ধৰি লৈ অংকিতৰ মেনেজাৰৰ দস্তুৰি 107 হাৰত গণনা কৰিম। লাভ-লোকচান নিৰ্ধাৰণ কৰোতে মন কৰিবা যদি -

(i) প্ৰকৃত লাভৰ পৰিমাণ দস্তুৰি বাদ দিয়াৰ আগতে।

(ii) লাভৰ পৰিমাণ দস্তুৰি বাদ দিয়াৰ পিছত।

**অংকিতৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ**

**2005 চনৰ 31 মাৰ্চৰ অন্তত**

**ডেবিট** **ক্ৰেডিট**

| খৰচ/লোকচান | টকাৰ পৰিমাণ | ৰাজহ/লাভ | টকাৰ পৰিমাণ |
|---|---|---|---|
| ক্ৰয় | 75,000 | বিক্ৰী | 1,25,000 |
| মজুৰি 8,000 | | সামৰণী মজুত পণ্য | 15,000 |
| যোগ ঃ অপ্ৰদত্ত মজুৰি 500 | 8,500 | | |
| মুঠ লাভ, আগলৈ | 56,500 | | |
| | 1,40,000 | | 1,40,000 |
| দৰমহা 25,000 | | মুঠ লাভ, আগৰ পৰা | 56,500 |
| যোগ অগ্ৰীম প্ৰদত্ত দৰমহা 5,000 | 20,000 | | |
| ভৱনৰ ভাড়া | 153,000 | প্ৰাপ্ত দস্তুৰি 5,000 | |
| অৱক্ষয় আচবাবৰ | 1,500 | যোগ উপাৰ্জিত দস্তুৰি 1,500 | 6,500 |
| অনুদ্ধাৰণীয় ঋণ 4,500 | | | |
| যোগ অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 2,500 | 7,000 | | |

| | | | |
|---|---|---|---|
| সন্দেহজনক ঋণ পুঁজি | 650 | | |
| দেনাদাৰৰ ওপৰত বাট্টা পুঁজি | 227 | | |
| **মেনেজাৰৰ দস্তুৰি** | **2,062** | | |
| **প্ৰকৃত লাভ (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ)** | **18,561** | | |
| | 63,000 | | 63,000 |

**অংকিতৰ উদ্বৃত্ত পত্ৰ**

2005 **চনৰ** 31 **মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি | | |
| মূলধন | 12,000 | | আচবাব | 15,000 | |
| যোগ ঃ প্ৰকৃত | | | বাদ অৱক্ষয় | (1,500) | 13,500 |
| লাভ | 18,561 | 30,561 | চলিত সম্পত্তি | | |
| অনাচলিত দেনা | | | দেনাদাৰ | 15,500 | |
| দীৰ্ঘকালীন ঋণ | | 5,000 | বাদ ঃ পুনৰ | | |
| চলিত দেনা আৰু পুঁজি | | | অনুদ্ধাৰণীয় ঋণ | 2,500 | |
| পাওনাদাৰ | | 15,000 | | 13,000 | |
| | | | বাদঃ সন্দেহজনক | | |
| অপ্ৰদত্ত মজুৰি | | 500 | ঋণ পুঁজি | (650) | |
| অগ্ৰিম প্ৰাপ্ত ঘৰভাড়া | | 3,000 | | 12,350 | |
| | | | বাদঃ দেনাদাৰৰ | | |
| **অপ্ৰদত্ত মেনেজাৰৰ দস্তুৰি** | | **2,062** | বাট্টা পুজি | (227) | 12,123 |
| | | | অগ্ৰিম প্ৰদত্ত দৰমহা | | 5,000 |
| | | | উপাৰ্জিত দস্তুৰি | | 1,500 |
| | | | বেংকৰ জমা | | 5,000 |
| | | | নগদ জমা | | 4,000 |
| | | | সামৰণী মজুত পণ্য | | 15,000 |
| | | 56,123 | | | 56,123 |

(ii) অংকিতৰ ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ

2005 চনৰ 31 মাৰ্চৰ অন্তত

ডেঃ ক্রেঃ

| খৰচ/লোকচান | | টকাৰ পৰিমাণ | ৰাজহ/লাভ | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| ক্রয় | | 75,000 | বিক্রী | | 1,25,000 |
| মজুৰি | 8,000 | | সামৰণী মজুত পণ্য | | 15,000 |
| যোগ ঃ অপ্রদত্ত মজুৰি | 500 | 8,500 | | | |
| মুঠ লাভ, আগলৈ | | 56,500 | | | |
| | | 1,40,000 | | | 1,40,000 |
| | | | মুঠ লাভ – | | 56,500 |
| দৰমহা | 25,000 | | প্রাপ্ত দস্তুৰি | 5,000 | |
| বাদ অগ্রিম প্রদত্ত | | | যোগ উপার্জিত | | |
| দৰমহা | 5,000 | 20,000 | দস্তুৰি | 1,500 | |
| ভৱনৰ ভাড়া | | 13,000 | | | 6,500 |
| আচবাবৰ অৱক্ষয় | | 1,500 | | | |
| অনুদ্ধাৰণীয় ঋণ | 4,500 | | | | |
| যোগ, অতিৰিক্ত | | | | | |
| অনুদ্ধাৰণীয় ঋণ | 2,500 | 7,000 | | | |
| সন্দেহজনক অনুদ্ধাৰণীয় ঋণ পুঁজি | | 650 | | | |
| দেনাদাৰৰ ওপৰত বাট্টা পুঁজি | | 227 | | | |
| মেনেজাৰৰ দস্তুৰি | | **1,875** | | | |
| **প্রকৃত লাভ (অংকিতৰ মূলধন হিচাপলৈ স্থানান্তৰ)** | | **18,748** | | | |
| | | 63,000 | | | 63,000 |

**অংকিতৰ উদ্বৃত্ত পত্র**

**2005 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মালিকৰ পুঁজি | | | অনাচলিত সম্পত্তি আচবাব | 15,000 | |
| মূলধন | 12,000 | | বাদ অৱক্ষয় | (1,500) | 13,500 |
| যোগ ঃ প্রকৃত লাভ | 18,748 | 30,748 | | | |

| | | | |
|---|---|---|---|
| অনাচলিত দেনা | 5,000 | চলিত সম্পত্তি | |
| দীৰ্ঘকালীন ঋণ | | দেনাদাৰ (15,500) | |
| চলিত দেনা আৰু পুঁজি | | বাদ ঃ পুনৰ অনুদ্ধাৰণীয় ঋণ 2,500 | |
| পাওঁনাদাৰ | 15,000 | 13,000 | |
| অপ্ৰদত্ত মজুৰি | 500 | বাদঃ সন্দেহজনক অনুদ্ধাৰণীয় ঋণ পুঁজি (650) | |
| অগ্ৰীম প্ৰাপ্ত ঘৰভাড়া | 3,000 | 12,350 | |
| অপ্ৰদত্ত মেনেজাৰৰ দস্তুৰি | 1,875 | বাদঃ দেনাদাৰৰ ওপৰত বাট্টা পুঁজি (227) | 12,123 |
| | | অগ্ৰিম প্ৰদত্ত দৰমহা | 5,000 |
| | | উপাৰ্জিত দস্তুৰি | 1,500 |
| | | বেংকৰ জমা | 5,000 |
| | | নগদ জমা | 4,000 |
| | | সামৰণী মজুত পণ্য | 15,000 |
| | **56,123** | | **56,123** |

## 10·12 মূলধনৰ ওপৰত সুদ

কেতিয়াবা ব্যৱসায়ৰ মালিকে বিনিয়োগ কৰা মূলধনৰ ওপৰত সুদ ল'ব পাৰে। ব্যৱসায়ত মূলধনৰ ওপৰত সুদ ধাৰ্য্য কৰি বাদ দিয়াৰ পিছত কিমান লাভ উপাৰ্জন হ'ল সেইটো জানিবলৈ তেওঁ বিচাৰিব পাৰে। এনে পৰিস্থিতিত এক নিৰ্দ্দিষ্ট সুদৰ বিত্তীয় হাৰত বছৰটোৰ আৰম্ভণি মূলধনৰ ওপৰত সুদ গণনা কৰা হয়। যদি কেতিয়াবা বিত্তীয় বছৰটোত ব্যৱসায়ত নতুনকৈ, অতিৰিক্ত মূলধন গটোৱা হয়, তেতিয়া নতুনকৈ গটোৱা তৰিখৰ পৰা এই সুদ গণনা কৰা হয়। উক্ত পৰিমাণৰ সুদ ব্যৱসায়ৰ বাবে লোকচান হিচাপে গন্য কৰা হয়। তেনে ক্ষেত্ৰত তলত দিয়া জাবেদা প্ৰবিষ্টিৰ সহায়ত হিচাপৰ বহীত অন্তৰ্ভু ক্ত কৰি লিপিবদ্ধ কৰা হয় -

মূলধনৰ ওপৰত সুদ হিচাপ - ডেঃ

মূলধন হিচাপলৈ

চূড়ান্ত হিচাপ প্ৰস্তুত কৰাৰ সময়ত এই সুদ লোকচান হিচাপে ধৰি লৈ লাভ-লোকচান

হিচাপৰ ডেবিট পক্ষৰ দিশত দেখুওৱা হয় আৰু উদ্বৃত্ত পত্ৰত মূলধন হিচাপৰ লগত যোগ কৰি দেখুওৱা হয়।

ধৰি লোৱা হ'ল অংকিতে তেওঁৰ মূলধনৰ ওপৰত 5% হাৰত সুদ ল'ব। ইয়াৰ কাৰণে 600 টকাৰ জাবেদা প্ৰবিষ্টি তলত উল্লেখ কৰাৰ ধৰণে লিপিবদ্ধ কৰিব লাগিব।

| | | |
|---|---|---|
| মূলধনৰ ওপৰত সুদ হিচাপ | ডেঃ 600 | |
| মূলধন হিচাপলৈ | | 600 |

ইয়াৰ ফলত প্ৰকৃত লাভৰ পৰিমাণ 600 টকা হ্ৰাস পাব। এই হ্ৰাস পোৱা লাভৰ পৰিমাণখিনি উদ্বৃত্ত পত্ৰৰ মূলধনৰ লগত যোগ কৰা হয়। কিন্তু যেতিয়া মূলধনৰ ওপৰত ধাৰ্য্য কৰা সুদৰ পৰিমাণ মূলধনৰ লগত যোগ কৰা হয়, তেতিয়া এই হ্ৰাস হোৱা পৰিমাণ পুনৰ যোগ হয়, তলত দেখুৱাৰ দৰে ঃ-

| | |
|---|---|
| মূলধন | 12,000 টকা |
| যোগঃ প্ৰকৃত লাভ | 17,961 টকা |
| | 29,961 টকা |
| যোগ ঃ মূলধনৰ ওপৰত সুদ | 600 টকা |
| | 30, 561 টকা |

**কি বুজিলা চোৱা**

**শুদ্ধ উত্তৰটো বাছি ☑ চিহ্নৰে চিহ্নিত কৰা ঃ**

1. **তলত দিয়া তথ্যসমূহ ৰাহুলৰ উদ্বৃত্ত মিলন পত্ৰৰ পৰা অনা হৈছে।**

| | |
|---|---|
| দেনাদাৰ | 80,000 টকা |
| অনুদ্ধাৰণীয় ঋণ | 2,000 টকা |
| অনুদ্ধাৰণীয় ঋণ পুঁজি | 4,000 টকা |

সন্দেহজনক ঋণৰ বাবে 1,000 টকাৰ পুঁজি গঠন কৰিব লাগে। কোনখিনি টকাৰ পৰিমাণক লাভ-লোকচান হিচাপত ডেবিট/ক্ৰেডিট কৰিব লাগিব

(a) 5,000 টকা (ডেবিট)(b) 3,000 টকা (ডেবিট)

(c) 1,000 টকা (ক্ৰেডিট) (b) কোনোটোৱে নহয়।

2. **যদি এমাহৰ ঘৰভাড়া এতিয়াও আদায় দিবলগীয়া হৈ আছে, সংযোজন প্ৰবিষ্টি হ'ব ঃ**

(a) অপ্ৰদত্ত ঘৰভাড়া হিচাপ ডেবিট আৰু ঘৰভাড়া হিচাপ ক্ৰেডিট কৰিব লাগে।

(b) লাভ-লোকচান হিচাপ ডেবিট আৰু ঘৰভাড়া হিচাপ ক্ৰেডিট কৰা হয়।

(c) ঘৰভাড়া হিচাপ ডেবিট আৰু লাভ-লোকচান হিচাপক ক্ৰেডিট কৰা হয়।

(d) ঘৰভাড়া হিচাপ ডেবিট আৰু অপ্ৰদত্ত ঘৰভাড়া হিচাপ ক্ৰেডিট কৰা হয়।

3. **যদি ঘৰভাড়াৰ বাবদ 2,000 টকা আগতীয়াকৈ লোৱা হয়। সংযোজন প্ৰবিষ্টি দিব লাগিব ঃ**

(a) লাভ-লোকচান হিচাপৰ ডেবিট আৰু ঘৰভাড়া হিচাপ ক্ৰেডিট কৰিব লাগে।

(b) ঘৰভাড়া হিচাপ ডেবিট আৰু অগ্ৰিম প্ৰাপ্ত ঘৰভাড়া হিচাপ ক্ৰেডিট কৰা হয়।

(c) অগ্ৰিম প্ৰাপ্ত ঘৰভাড়া হিচাপ ডেবিট আৰু ঘৰভাড়া হিচাপৰ ক্ৰেডিট কৰা হয়।

(d) ওপৰৰ এটাও নহয়।

4. **যদি 2005 চনৰ 1 এপ্ৰিলত আৰম্ভণি মূলধনৰ পৰিমাণ আছিল 50,000 টকা, আৰু 2006 চনৰ 1 জানুৱাৰীত অতিৰিক্ত ভাবে যোগান ধৰা মূলধনৰ পৰিমাণ 10,000 টকা, মূলধনৰ ওপৰত 10% হাৰত বছৰি সুদ ধাৰ্য্য কৰিলে। 2005 চনৰ 31 মাৰ্চত লাভ-লোকচান হিচাপত মূলধনৰ ওপৰত সুদ দেখুৱাব লাগিব**

(a) 5,250 টকা (b) 6,000 টকা

(c) 4,000 টকা (d) 3,000 টকা

5. **যদি বীমা কিস্তিৰ বাবদ 1,000 টকা প্ৰদান কৰা হয় আৰু অগ্ৰিম প্ৰদত্ত বীমা কিস্তিৰ পৰিমাণ 300 টকা হয়। লাভ-লোকচান হিচাপত বীমা কিস্তিৰ বাবদ টকাৰ পৰিমাণ দেখুওৱা হয় ঃ-**

(a) 1,300 টকা (b) 1,000 টকা

(c) 300 টকা (d) 700 টকা

| সংযোজন | সংযোজন প্ৰবিষ্টি | ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপত ব্যৱস্থাৱলী | উদ্বৃত্ত পত্ৰত ব্যৱস্থাৱলী |
|---|---|---|---|
| 1. সামৰণী মজুত | সামৰণী মজুত হিচাপ - ডেঃ ক্ৰয় হিচাপলৈ | ক্ৰয়-বিক্ৰয় হিচাপৰ ক্ৰেডিটৰ ফালে দেখুওৱা হয়। | সম্পত্তিৰ দিশত দেখুওৱা হয় |
| 2. অপ্ৰদত্ত ব্যয় | সংশ্লিষ্ট ব্যয় হিচাপ - ডেঃ অপ্ৰদত্ত ব্যয় হিচাপলৈ | ডেবিট দিশত সংশ্লিষ্ট ব্যয়ৰ পৰা বাদ দিয়া হয়। | দেনা দিশত দেখুওৱা হয়। |
| 3. অগ্ৰিম প্ৰদত্ত ব্যয় | অগ্ৰিম প্ৰদত্ত ব্যয় হিচাপ - ডেঃ সংশ্লিষ্ট ব্যয় হিচাপলৈ | ডেবিট দিশত সংশ্লিষ্ট আয়ৰ লগত বিয়োগ কৰা হয়। | সম্পত্তিৰ দিশত দেখুওৱা হয়। |
| 4. আয় উপাৰ্জিত কিন্তু পোৱা হোৱা নাই | উপাৰ্জিত আয় হিচাপ - ডেঃ সংশ্লিষ্ট আয় হিচাপলৈ | ক্ৰেডিট দিশত সংশ্লিষ্ট আয়ৰ লগত যোগ কৰা হয়। | সম্পত্তিৰ দিশত দেখুওৱা হয়। |
| 5. অগ্ৰিম প্ৰাপ্ত আয় | সংশ্লিষ্ট আয় হিচাপ - ডেঃ অগ্ৰিম প্ৰাপ্ত আয় হিচাপলৈ | ক্ৰেডিট দিশত সংশ্লিষ্ট আয়ৰ পৰা বাদ দিয়া হয়। | দেনা দিশত দেখুওৱা হয়। |
| 6. অৱক্ষয় | অৱক্ষয় হিচাপ - ডেঃ সম্পত্তি হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | সম্পত্তিৰ মূল্যৰ পৰা বিয়োগ কৰা হয়। |
| 7. সন্দেহজনক ঋণ পুঁজি | লাভ-লোকচান হিচাপ - ডেঃ সন্দেহজনক ঋণ পুঁজি হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | দেনাদাৰৰ পৰা বাদ দি দেখুওৱা হয়। |
| 8. দেনাদাৰৰ ওপৰত বাট্টা পুঁজি | লাভ-লোকচান হিচাপ - ডেঃ দেনাদাৰৰ ওপৰত প্ৰকৃত বাট্টা পুঁজি হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | দেনাদাৰৰ পৰা বিয়োগ কৰি দেখুওৱা হয় |
| 9. মেনেজাৰৰ দস্তুৰী | মেনেজাৰৰ দস্তুৰী হিচাপ - ডেঃ অপ্ৰদত্ত দস্তুৰী হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | দেনা দিশত দেখুওৱা হয়। |
| 10. মূলধনৰ ওপৰত সুত | মূলধনৰ ওপৰত সুত হিচাপ - ডেঃ মূলধন হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | মূলধনৰ লগত সংযোগ কৰি দেখুওৱা হয়। |
| 11. অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ | অনুদ্ধাৰণীয় ঋণ হিচাপ - ডেঃ দেনাদাৰৰ হিচাপলৈ | ডেবিট দিশত দেখুওৱা হয়। | দেনাদাৰৰ পৰা বাদ দি দেখুওৱা হয়। |

**উদাহৰণ-1**

**তলত দিয়া উদ্বৃত্তসমূহৰ পৰা ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু 2005 চনৰ 31 মাৰ্চত উদ্বৃত্ত প্ৰস্তুত কৰা**

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আহৰণ | 6,300 | মূলধন | 1,50,000 |
| বেংকত জমা | 13,870 | প্ৰাপ্ত বাট্টা | 2,980 |
| প্ৰাপ্য বিল | 1,860 | ঋণ | 15,000 |
| ঋণ আৰু ভৱন | 42,580 | ক্ৰয়-বিক্ৰয় | 1,450 |
| আচবাব | 5,130 | বিক্ৰী | 2,81,500 |
| প্ৰদত্ত বাট্টা | 3,960 | সন্দেহজনক ঋণ পুঁজি | 4,650 |
| বেংকৰ ভৰণি | 100 | পাওনাদাৰ | 18,670 |
| দৰমহা | 6,420 | | |
| ক্ৰয় | 1,99,080 | | |
| মজুত (আৰম্ভণী) | 60,220 | | |
| বিক্ৰী ফিৰৎ | 1,870 | | |
| ক্ৰয়জনিত পৰিবহন | 5,170 | | |
| ঘৰভাড়া আৰু কৰ-কাটল আদি | 7,680 | | |
| সাধাৰণ খৰছ | 3,630 | | |
| কলকব্জা আৰু যন্ত্ৰপাতি | 31,640 | | |
| দেনাদাৰ | 82,740 | | |
| অনুদ্ধাৰণীয় ঋণ | 1,250 | | |
| বীমা | 750 | | |
| | 4,74,250 | | 4,74,250 |

**সংযোজন ঃ**

(1) সামৰণী মজুত পণ্য 70,000 টকা

(2) দেনাদাৰৰ ওপৰত 10% হাৰত অনুদ্ধাৰণীয় ঋণৰ বাবে পুঁজি ৰাখিব লাগে।

(3) অগ্ৰিম প্ৰদত্ত বীমা 50 টকা

(4) অপ্ৰদত্ত ঘৰভাড়া 150 টকা

**সমাধান ঃ**

## ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ
## 2005 চনৰ 31 মাৰ্চৰ অন্তত

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 60,220 | বিক্ৰী 2,81,500 | |
| ক্ৰয় - 1,99,080<br>বাদ ঃ ক্ৰয় ফিৰৎ - 1,450<br>(-) | 1,97,630 | বাদ ঃ বিক্ৰী ফিৰৎ 1,870 | 2,79,630 |
| | | সামৰণী মজুত পণ্য | 70,000 |
| ক্ৰয়জনিত পৰিবহন | 5,170 | | |
| মুঠ লাভ, আগলৈ | 86,610 | | |
| | 3,49,630 | | 3,49,630 |
| প্ৰদত্ত বাট্টা | 3,960 | মুঠ লাভ, আগৰ পৰা | 86,610 |
| বেংকৰ ভৰণি | 100 | প্ৰাপ্ত বাট্টা | 2,980 |
| দৰমহা | 6,420 | | |
| ঘৰভাড়া আৰু কৰ-কাটল 7,680<br>যোগ ঃ অপ্ৰদত্ত ভাড়া 150 | 7,830 | | |
| সাধাৰণ খৰচ | 3,630 | | |
| বীমা - 750<br>বাদ অগ্ৰিম প্ৰদত্ত বীমা - (50) | 700 | | |
| অনুদ্ধাৰণীয় ঋণ 1250<br>যোগ ঃ নতুন অনুদ্ধাৰণীয় ঋণৰ পুঁজি 8,274<br>9,524<br>বিয়োগ ঃ পুৰণি অনুদ্ধাৰণীয় ঋণ পুঁজি (4,650) | 4,874 | | |
| অপ্ৰদত্ত ঋণৰ ওপৰত সুদ | 900 | | |
| প্ৰকৃত লাভ<br>(মূলধন হিচাপলৈ স্থানান্তৰ) | 61,176 | | |
| | 89,590 | | 89,590 |

## উদ্বৃত্ত পত্ৰ

**31 মাৰ্চ 2005 চনত**

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| পাওনাদাৰ | 18,670 | বেংকত জমা | 13,870 |
| ঋণ 15,000 | | দেনাদাৰ 82,740 | |
| যোগ ঃ ঋণৰ ওপৰত | | বাদ নতুন অনুদ্ধাৰণীয় | |
| অপ্ৰদত্ত সুত 900 | 15,900 | ঋণ পুঁজি (8,274) | 74,466 |
| অপ্ৰদত্ত ঘৰভাড়া | 150 | প্ৰাপ্য বিল | 1,860 |
| মূলধন 1,50,000 | | ভূমি আৰু ভৱন | 42,580 |
| যোগ, প্ৰকৃত লাভ 61,176 | | আচবাব | 5,130 |
| 2,11,176 | | কল-কব্জা আৰু যন্ত্ৰপাতি | 31,640 |
| বাদ/আহৰণ 6,300 | 2,04,876 | অগ্ৰিম প্ৰদত্ত বীমা | 50 |
| | | সামৰণী মজুত | 70,000 |
| | **2,39,596** | | **2,39,596** |

**উদাহৰণ - 2**

**যোগিতাৰ হিচাপ বহীৰ পৰা 2005 চনৰ 31 মাৰ্চত নিম্নলিখিত উদ্বৃত্তসমূহ অনা হৈছে।**

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| নগদ হাতে জমা | 540 | বিক্ৰী | 98,780 |
| বেংকত জমা | 2,630 | ক্ৰয় ফিৰৎ | 500 |
| ক্ৰয় | 40,675 | মূলধন | 62,000 |
| বিক্ৰৎ ফিৰৎ | 680 | পাওনাদাৰ | 6,300 |
| মজুৰি | 8,480 | ঘৰভাড়া | 9,000 |
| ইন্ধন আৰু শক্তি | 4,730 | | |
| বিক্ৰয়জনিত পৰিবহণ | 3,200 | | |
| ক্ৰয়জনিত পৰিবহন | 2,040 | | |

| | | | |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 5,760 | | |
| ভৱন | 32,000 | | |
| মুক্ত ভূমি | 10,000 | | |
| যন্ত্ৰপাতি | 20,000 | | |
| দৰমহা | 15,000 | | |
| পেটেণ্ট | 7,500 | | |
| সাধাৰণ খৰচ | 3,000 | | |
| বীমা | 600 | | |
| আহৰণ | 5,245 | | |
| দেনাদাৰ | 14,500 | | |

(5) ঋণৰ ওপৰত 6% হাৰত সুদ দেয়।

নিম্নলিখিত সংযোজনসমূহ অন্তৰ্ভুক্ত কৰি 2005 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু সেই তাৰিখত উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

(a) 2005 চনৰ 31 মাৰ্চত মজুত পণ্য আছিল 6,800 টকা।

(b) যন্ত্ৰপাতিৰ ওপৰত 10% আৰু পেটেণ্টৰ ওপৰত 20% অৱক্ষয় ধাৰ্য্য কৰিব লাগে।

(c) 2005 চনৰ মাৰ্চ মাহৰ অপ্ৰদত্ত দৰমহাৰ পৰিমাণ 1,500 টকা।

(d) 2006 চনৰ 30 চেপ্তেম্বৰত অন্ত পৰিবলীয়া এখন বীমা পলিচিৰ 170 টকাৰ কিস্তিৰ ধন বীমাৰ লগত অন্তৰ্ভুক্ত হৈ আছে।

(e) অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ Rs. 725 টকা আৰু সন্দেহজনক ঋণৰ বাবে 5% হাৰত দেনাদাৰৰ ওপৰত পুঁজি গঠন কৰিব লাগে।

(f) প্ৰাপ্য ঘৰভাড়া 1,000 টকা।

**সমাধান ঃ**

**যোগিতাৰ বহীত -**
**ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ**
**2005 চনৰ 31 মাৰ্চত শেষ হোৱা বছৰটোৰ বাবে**

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 5,760 | বিক্ৰী 98,780 | |
| ক্ৰয় 40,675 | | বাদ ঃ বিক্ৰী ফিৰৎ 680 | 98,100 |
| বাদ ঃ ক্ৰয় ফিৰৎ - 500 | 40,175 | | |
| মজুৰি | 8,480 | সামৰণী মজুত পণ্য | 6,800 |
| ইন্ধন আৰু শক্তি | 4,730 | | |
| ক্ৰয়জনিত পৰিবহন | 2,040 | | |
| মুঠ লাভ, আগলৈ | 43,715 | | |
| | 1,04,900 | | 1,04,900 |
| দৰমহা 15,000 | | | |
| যোগ ঃ অপ্ৰদত্ত দৰমহা 1,500 | 16,500 | মুঠ লাভ, আগৰ পৰা | 43,715 |
| | | ঘৰভাড়া 9,000 | |
| পৰিবহণ | 3,200 | যোগঃ উপাৰ্জিত | |
| সাধাৰণ খৰচ | 3,000 | আয় 1,000 | 10,000 |
| বীমা 600 | | | |
| বাদঃ অগ্ৰিম প্ৰদত্ত বীমা 85 | 515 | | |
| অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 725 | | | |
| যোগ ঃ সন্দেহজনক ঋণ পুঁজি 689 | 1,414 | | |
| অৱক্ষয় যন্ত্ৰপাতি 2,000 | | | |
| পেটেণ্ট 1,500 | 3,500 | | |
| প্ৰকৃত লাভ (মুলধন হিচাপলৈ স্থানান্তৰ) | 25,586 | | |
| | 53,715 | | 53,715 |

**2005 চনৰ 31 মাৰ্চত উদ্বৃত্ত পত্ৰ**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| পাওনাদাৰ | | 6,300 | নগদ জমা | | 540 |
| অপ্ৰদত্ত দৰমহা | | 1,500 | বেংক জমা | | 2,630 |
| মূলধন | 62,000 | | বিভিন্ন দেনাদাৰ | 14,500 | |
| যোগ, প্ৰকৃত লাভ | | | বাদ; অতিৰিক্ত | | |
| | 25,586 | | অনুদ্ধাৰণীয় ঋণ | (725) | |
| | 87,586 | | | 13,775 | |
| বাদ, আহৰণ | 5,245 | 82,341 | বিয়োগঃ সন্দেহজনক | | |
| | | | অনুদ্ধাৰণীয় ঋণ | (689) | 13,086 |
| | | | অগ্ৰিম বীমা | | 85 |
| | | | মজুত পণ্য | | 6,800 |
| | | | উপাৰ্জিত ঘৰ ভাড়া | | 1,000 |
| | | | মুক্ত ভূমি | | 10,000 |
| | | | ভৱন | | 32,000 |
| | | | যন্ত্ৰপাতি | 20,000 | |
| | | | বিয়োগ অৱক্ষয় | (2,000) | 18,000 |
| | | | পেটেণ্ট | 7,500 | |
| | | | বাদঃ অৱক্ষয় | 1,500 | 6,000 |
| | | **90,141** | | | **90,141** |

**উদাহৰণ-3**

**শ্ৰী আৰ লালৰ বহীৰ পৰা 2005 চনৰ 31 মাৰ্চত তলত দিয়া উদ্বৃত্তসমূহ লোৱা হৈছিল ঃ**

| হিচাপ শিৰোনামা | টকাৰ পৰিমাণ | হিচাপ শিৰোনামা | টকাৰ পৰিমাণ |
|---|---|---|---|
| মূলধন | 1,00,000 | ঘৰ ভাড়া (ক্ৰে) | 2,100 |

| | | | |
|---|---|---|---|
| আহৰণ | 17,600 | | |
| ক্ৰয় | 80,000 | বিক্ৰীৰ বাবে | |
| বিক্ৰী | 1,40,370 | ৰেলগাড়ীৰ ভাড়া | 16,940 |
| ক্ৰয় ফিৰৎ | 2,820 | ক্ৰয়জনিত পৰিবহণ | 2,310 |
| মজুত (1 এপ্ৰিল, 2004 চনৰ) | 11,460 | কাৰ্যালয়ৰ ব্যয় | 1,340 |
| অনুদ্ধাৰণীয় ঋণ | 1,400 | ছপা-সামগ্ৰী | 660 |
| অনুদ্ধাৰণীয় ঋণ পুঁজি | 3,240 | ডাক আৰু টেলিগ্ৰাম | 820 |
| (1 এপ্ৰিল, 2004 চনৰ) | | বিভিন্ন দেনাদাৰ | 62,070 |
| কৰ আৰু বীমা | 1,300 | বিভিন্ন পাওনাদাৰ | 18,920 |
| বাট্টা (ক্ৰেঃ) | 190 | বেংক জমা | 12,400 |
| প্ৰাপ্য বিল | 1,240 | নগদ জমা | 2,210 |
| বিক্ৰী ফিৰৎ | 4,240 | কাৰ্যালয়ৰ আচবাব | 3,500 |
| মজুৰি | 6,280 | দৰমহা আৰু দস্তুৰি | 9,870 |
| ভৱন | 25,000 | সংযোজন ভৱন | 7,000 |

তলৰ সংযোজনসমূহ বিবেচনা কৰি 2005 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

(i) পুৰণি ভৱনৰ বাবে অৱক্ষয় 625 টকা আৰু অতিৰিক্ত ভৱনৰ বাবে 2% আৰু কাৰ্যালয়ৰ আচবাবৰ বাবে 5% অৱক্ষয় ধাৰ্য্য কৰা।

(ii) অনুদ্ধাৰণীয় ঋণ হিচাপে অতিৰিক্ত 570 টকা বাদ দিব লাগে।

(iii) দেনাদাৰৰ ওপৰত 6% হাৰত অনুদ্ধাৰণীয় ঋণ বৃদ্ধি কৰিব লাগে।

(iv) 2005 চনৰ 31 মাৰ্চলৈ অপ্ৰদত্ত দৰমহাৰ পৰিমাণ 570 টকা।

(v) 2005 চনৰ 31 মাৰ্চলৈ প্ৰাপ্য ঘৰভাড়াৰ পৰিমাণ 200 টকা।

(vi) মূলধনৰ ওপৰত 5% হাৰত সুদ ধাৰ্য্য কৰা।

(vii) অগ্ৰিম প্ৰদত্ত বীমা 240 টকা।

(viii) 2005 চনৰ 31 মাৰ্চত মজুত সামগ্ৰীৰ মূল্য 14,290 টকা।

সমাধান ঃ

**শ্ৰী আৰ লালৰ বহীত ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ**

**2005 চনৰ 31 মাৰ্চ তাৰিখে শেষ হোৱা বছৰটোৰ**

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 11,460 | বিক্ৰী 1,40,370 | |
| ক্ৰয় - 80,000 | | বাদ ঃ বিক্ৰী ফিৰৎ | |
| বাদ ঃ ক্ৰয় ফিৰৎ- (2,820) | 77,180 | (4,240) | 1,36,130 |
| ক্ৰয় পৰিবহন | 2,310 | | |
| মজুৰি | 6,280 | সামৰণী মজুত পণ্য | 14,290 |
| মুঠ লাভ, আগলৈ | 53,190 | | |
| | 1,50,420 | | 1,50,420 |
| বিক্ৰীৰ বাবে ৰেলগাড়ীৰ ভাড়া | 16,940 | মুঠ লাভ | 53,190 |
| কাৰ্যালয়ৰ খৰচ | 1,340 | | |
| ডাক আৰু টেলিগ্ৰাম | 820 | ঘৰভাড়া 2,100 | |
| ছপা আৰু মনোহাৰী সামগ্ৰী | 660 | যোগঃ উপাৰ্জিত | |
| দৰমহা আৰু দস্তুৰি 9,870 | | ঘৰ ভাড়া 200 | 2,300 |
| যোগঃ অপ্ৰদত্ত দৰমহা 570 | 10,440 | বাট্টা | 190 |
| কৰ আৰু বীম 1,300 | | | |
| বাদঃ অগ্ৰিম প্ৰদত্ত বীমা (240) | 1,060 | | |
| অনুদ্ধাৰণীয় ঋণ 1,400 | | | |
| যোগ ঃ অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 570 | | | |
| যোগ ঃ সন্দেহজনক ঋণ 3,690 | | | |
| 5,660 | | | |
| বাদঃ পুৰণি অনুদ্ধাৰণীয় ঋণ পুঁজি 3,240 | 2,420 | | |
| মূলধনৰ ওপৰত সুদ | 5,000 | | |
| ভৱনৰ অৱক্ষয় | 625 | | |
| অতিৰিক্ত ভৱনৰ অৱক্ষয় | 140 | | |
| আচবাবৰ অৱক্ষয় | 175 | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | 16,060 | | |
| | 55,680 | | 55,680 |

## 2005 চনৰ 31 মাৰ্চত উদ্বৃত্ত পত্ৰ

| দেনা | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|
| বিভিন্ন পাওনাদাৰ | 18,920 | বেংকত জমা | 12,400 |
| অপ্ৰদত্ত দৰমহা | 570 | নগদ জমা | 2,210 |
| মূলধন 1,00,000 | | প্ৰাপ্য বিল | 1,240 |
| যোগ ঃ প্ৰকৃত লাভ 16,060 | | দেনাদাৰ 62,070 | |
| যোগ ঃ মূলধনৰ ওপৰত সুদ 5,000 | | বাদ ঃ অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ (570) | |
| 1,21,060 | | 61,500 | |
| বাদঃ আহৰণ (17,600) | 1,03,460 | বাদ ঃ সন্দেহজনক পুঁজি (নতুন) (3,690) | 57,810 |
| | | উপাৰ্জিত ঘৰ ভাড়া | 200 |
| | | অগ্ৰিম প্ৰদত্ত বীমা | 2,40 |
| | | ভৱন 25,000 | |
| | | বাদ ঃ অৱক্ষয় (625) | 24,375 |
| | | অতিৰিক্ত ভৱন 7,000 | |
| | | বাদ ঃ অৱক্ষয় (140) | 6,860 |
| | | কাৰ্যালয়ৰ আচবাব 3,500 | |
| | | বাদঃ অৱক্ষয় (175) | 3,325 |
| | | সামৰণী মজুত | 14,290 |
| | 1,22,950 | | 1,22,950 |

**উদাহৰণ - 4**

2006 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে M/s মোহিত ট্ৰেডাৰ্চৰ এখন ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু সেই তাৰিখতে প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি লিখা আৰু এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত | 24,000 | বিক্ৰী | 4,00,000 |
| ক্ৰয় | 1,60,000 | ক্ৰয় ফিৰৎ | 2,000 |
| নগদ জমা | 16,000 | মূলধন | 150,000 |
| বেংক জমা ধন | 32,000 | পাওনাদাৰ | 64,000 |
| বিক্ৰী ফিৰৎ | 4,000 | প্ৰদেয় বিল | 20,000 |
| মজুৰি | 22,000 | প্ৰাপ্ত দস্তুৰি | 4,000 |
| ইন্ধন আৰু শক্তি | 18,000 | | |
| ক্ৰয় পৰিবহন | 6,000 | | |
| বীমা | 8,000 | | |
| ভৱন | 1,00,000 | | |
| কল | 80,000 | | |
| পেটেণ্ট | 30,000 | | |
| দৰমহা | 28,000 | | |
| আচবাৱ | 12,000 | | |
| আহৰণ | 18,000 | | |
| ঘৰভাড়া | 2,000 | | |
| দেনাদাৰ | 80,000 | | |
| | 6,40,000 | | 6,40,000 |

**সংযোজন ঃ**

(a) অপ্ৰদত্ত দৰমহা 12,000 টকা

(b) অপ্ৰদত্ত মজুৰি 6,000 টকা

(c) উপাৰ্জিত দস্তুৰি 2,400 টকা

(d) ভৱনৰ ওপৰত অৱক্ষয় 5% আৰু কলৰ ওপৰত 3% ধাৰ্য্য কৰা

(e) অগ্ৰিম প্ৰদান কৰা বীমা 700 টকা

(f) সামৰণী মজুত পণ্য 12,000 টকা

*সমাধান ঃ*

## মোহিত ট্ৰেডাৰ্চৰ বহীত
## জাবেদা প্ৰবিষ্টি

| তাৰিখ | বিৱৰণ | | খঃ পৃষ্ঠা | ডেবিট টকাৰ পৰিমাণ | ক্ৰেডিট টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| 2005<br>31 মাৰ্চ | দৰমহা হিচাপ<br>মজুৰি হিচাপ<br>অপ্ৰদত্ত দৰমহা হিচাপলৈ<br>অপ্ৰদত্ত মজুৰি হিচাপলৈ<br>(2006 চনৰ 31 মাৰ্চত অপ্ৰদত্ত দৰমহা আৰু মজুৰি টকাৰ পৰিমাণ) | ডে.<br>ডে. | | 12,000<br>6,000 | <br><br>12,000<br>6,000 |
| 31 মাৰ্চ | অগ্ৰিম বীমা হিচাপ<br>বীমা হিচাপলৈ<br>(আগতীয়াকৈ প্ৰদান কৰা বীমা) | ডে. | | 1,400 | <br>1,400 |
| 31 মাৰ্চ | উপাৰ্জিত দস্তুৰি হিচাপ<br>দস্তুৰি হিচাপলৈ<br>(দস্তুৰি উপাৰ্জিত কিন্তু পোৱা নাই) | ডে. | | 2,400 | <br>2,400 |
| 31 মাৰ্চ | অৱক্ষয় হিচাপ<br>ভৱন হিচাপলৈ<br>কল হিচাপলৈ<br>(ভৱন আৰু কল ওপৰত অৱক্ষয় ধাৰ্য্য) | ডে. | | 7,400 | <br>5,000<br>2,400 |
| 31 মাৰ্চ | লাভ-লোকচান হিচাপ<br>মূলধন হিচাপলৈ<br>(প্ৰকৃত লাভ মূলধন হিচাপলৈ স্থানান্তৰ) | ডে. | | 1,23,700 | <br>1,23,700 |

### মোহিত ট্ৰেডাৰ্চৰ বহীত
### ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ
### 2006 চনৰ 31 মাৰ্চৰ অন্তত

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | | টকাৰ পৰিমাণ | ৰাজহ/আয় | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| আৰম্ভণি মজুত পণ্য | | 24,000 | বিক্ৰী | 4,00,000 | |
| ক্ৰয় - | 1,60,000 | | বাদ ঃ বিক্ৰী ফিৰৎ | 4,000 | |
| বাদ ঃ ফিৰৎ - | (2,000) | | | | 3,96,000 |
| মজুৰি | 22,000 | 1,58,000 | সামৰণী মজুত পণ্য | | 12,000 |
| যোগ ঃ অপ্ৰদত্ত মজুৰি | 6,000 | | | | |
| | | 28,000 | | | |
| ইন্ধন আৰু শক্তি | | 18,000 | | | |
| ক্ৰয় পৰিবহন | | 6,000 | | | |
| মুঠ লাভ, আগলৈ | | 1,74,000 | | | |
| | | 4,08,000 | | | 4,08,000 |
| দৰমহা | 28,000 | | | | |
| যোগ ঃ অপ্ৰদত্ত দৰমহা | 12,000 | | মুঠ লাভ, আগৰ পৰা | | |
| | | 40,000 | প্ৰাপ্ত দস্তুৰি | 4,000 | |
| বীমা | 8,000 | | যোগঃ উপাৰ্জিত | | |
| বাদঃ অগ্ৰিম প্ৰদত্ত বীমা | 700 | | দস্তুৰি | 2,400 | 6,400 |
| | | 7,300 | | | |
| ঘৰভাড়া | | 2,000 | | | |
| ভৱনৰ ওপৰত অৱক্ষয় | | 5,000 | | | |
| কলৰ পৰা | | 2,400 | | | |
| প্ৰকৃত লাভ<br>(মূলধন হিচাপলৈ স্থানান্তৰ) | | 1,23,700 | | | |
| | | 1,80,400 | | | 1,80,400 |

**উদ্বৃত্ত পত্ৰ 31 মাৰ্চ 2005 চনত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| পাওনাদাৰ | | 64,000 | নগদ জমা | 16,000 |
| প্ৰদেয় বিল | | 20,000 | বেংক জমা | 32,000 |
| মূলধন | 1,50,000 | | ভৱন | 95,000 |
| যোগ, প্ৰকৃত লাভ | 1,23,700 | | কল | 77,600 |
| | | | পেটেণ্ট | 30,000 |
| | 2,73,700 | | দেনাদাৰ | 80,000 |
| বাদ, আহৰণ | (18,000) | 2,55,700 | অগ্ৰিম প্ৰদত্ত বীমা | 700 |
| | | 12,000 | উপাৰ্জিত দস্তুৰি | 2,400 |
| অপ্ৰদত্ত দৰমহা | | 6,000 | আচবাব | 12,000 |
| অপ্ৰদত্ত মজুৰি | | | সামৰণী মজুত পণ্য | 12,000 |
| | | 3,57,700 | | 3,57,700 |

***উদাহৰণ - 5***

**তলত দিয়া তথ্যসমূহ মেছাৰ্ছ ৰনথীৰ পৰিবহণ নিগমৰ উদ্বৃত্ত মিলন পত্ৰৰ পৰা লোৱা হৈছে**

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 40,000 | মূলধন | 2,70,000 |
| ঘৰ ভাড়া | 2,000 | পাওনাদাৰ | 50,000 |
| কল আৰু যন্ত্ৰপাতি | 1,20,000 | প্ৰদেয় বিল | 50,000 |
| ভূমি আৰু ভৱন | 2,55,000 | ঋণ (ধাৰ) | 1,10,000 |
| শক্তি | 3,500 | বাট্টা | 1,500 |
| ক্ৰয় | 75,000 | বিক্ৰী | 1,50,000 |
| বিক্ৰী ফিৰৎ | 2,500 | অনুদ্ধাৰণীয় ঋণ পুঁজি | 1,000 |
| টেলিগ্ৰাম আৰু ডাক | 400 | সাধাৰণ সঞ্চিত পুঁজি | 50,000 |
| মজুৰি | 4,500 | | |
| দৰমহা | 2,500 | | |
| বীমা | 3,200 | | |
| বাট্টা | 1,000 | | |
| মেৰামতি আৰু নবীকৰণ | 2,000 | | |

| | | | |
|---|---|---|---|
| আইনী মাচুল | 700 | | |
| ব্যৱসায়ী দেনাদাৰ কৰ | 1,200 | | |
| বিনিয়োগ | 75,000 | | |
| অনুদ্ধাৰণীয় ঋণ | 65,000 | | |
| ব্যৱসায়ীক খৰচ | 2,000 | | |
| দস্তুৰি | 4,500 | | |
| যাতায়ত খৰচ | 1,250 | | |
| আহৰণ | 1,230 | | |
| | 20,020 | | |
| | 6,82,500 | | 6,82,500 |

সংযোজন ঃ

1. বছৰটোৰ সামৰণী মজুত পণ্যৰ পৰিমাণ 35,500 টকা।
2. কল আৰু যন্ত্ৰপাতিৰ ওপৰত 5% হাৰত আৰু ভূমি আৰু ভৱনৰ ওপৰত 6% হাৰত অৱক্ষয় ধাৰ্য্য কৰা।
3. আহৰণৰ ওপৰত 6% হাৰত আৰু ঋণৰ ওপৰত 5% হাৰত সুদ ধাৰ্য্য কৰা।
4. বিনিয়োগৰ ওপৰত 4% হাৰত সূদ ধৰিব লাগে।
5. অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ 2,500 টকা হৈছে আৰু দেনাদাৰৰ ওপৰত 5% হাৰত অনুদ্ধাৰণীয় ঋণৰ বাবদ পুঁজি ৰাখিব লাগে।
6. দেনাদাৰক 2% হাৰত বাট্টা প্ৰদান কৰিব লাগে।
7. অপ্ৰদত্ত দৰমহা 200 টকা।
8. অপ্ৰদত্ত মজুৰি 100 টকা।
9. অগ্ৰিম প্ৰদত্ত বীমা 500 টকা।

2005 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে তুমি ক্রয়-বিক্রয় হিচাপ, লাভ-লোকচান হিচাপ আৰু এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা

**ৰনবীৰ পৰিবহণ নিগমৰ বহীত**
**ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ**
**2005 চনৰ 31 মাৰ্চৰ অন্তত**

*সমাধান ঃ*

ডেঃ ক্রেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 40,000 | বিক্ৰী 1,50,000 | |
| ক্রয় | 75,000 | বাদ ঃ বিক্ৰী ফিৰৎ 2,500 | 1,47,500 |
| মজুৰি 4,500 | | | |
| যোগ ঃ অপ্ৰদত্ত মজুৰি 100 | 4,600 | সামৰণী মজুত পণ্য | 35,500 |
| শক্তি | 3,500 | | |
| মুঠ লাভ, আগলৈ | 59,900 | | |
| | 1,83,000 | | 1,83,000 |
| ঘৰ ভাড়া | 2,000 | | |
| টেলিগ্ৰাম আৰু ডাক | 400 | মুঠ লাভ, আগৰ পৰা | 59,900 |
| দৰমহা 2,500 | | বিনিয়োগৰ ওপৰত অপ্ৰদত্ত | |
| যোগ অপ্ৰদত্ত দৰমহা 200 | 2,700 | সুদ | 2,600 |
| বীমা 3,200 | | বাট্টা | 1,500 |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত (500) | 2,700 | আহৰণৰ ওপৰত সুদ | 1,200 |
| বাট্টা | 1,000 | | |
| মেৰামতি আৰু নবীকৰণ | 2,000 | | |
| আইনী মাচুল | 700 | | |
| ব্যৱসায়ীক কৰ | 1,200 | | |
| ব্যৱসায়ীক খৰচ | 4,500 | | |
| ঋণৰ ওপৰত অপ্ৰদত্ত সুদ | 5,500 | | |
| দস্তুৰি | 1,250 | | |
| যাতায়তৰ খৰচ | 1,230 | | |
| দেনাদাৰৰ ওপৰত বাট্টা | 1,450 | | |
| কল আৰু যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয় | 6,000 | | |
| ভূমি আৰু ভৱনৰ অৱক্ষয় | 15,300 | | |
| অনুদ্ধাৰণীয় ঋণ 2,000 | | | |
| যোগ ঃ অতিৰিক্ত অঃ ঋণ 2,500 | | | |
| যোগ ঃ নতুন পুঁজি 3,553 | | | |
| 8,053 | | | |
| বাদ ঃ পুৰণি পুঁজি (1,000) | 7,053 | | |
| প্ৰকৃত লাভ (মূলধনৰ হিচাপলৈ) | 10,217 | | |
| | 65,200 | | 65,200 |

**উদ্বৃত্ত পত্ৰ 31 মাৰ্চ 2005 চনত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| পাওনাদাৰ | | 50,000 | দেনাদাৰ | 75,000 | |
| প্ৰদেয় বিল | | 50,000 | বাদ ঃ অতিৰিক্ত | | |
| ধাৰ (ঋণ) | 1,10,000 | | অনুদ্ধাৰণীয় ঋণ | (2,500) | |
| যোগ ঃ অপ্ৰদত্ত সুদ | 5,500 | 1,15,500 | | 72,500 | |
| | | 50,000 | বাদ ঃ বাট্টা | (1,450) | |
| সাধাৰণ পুঁজি | | | | 71,050 | |
| মূলধন | 2,70,000 | | বাদ ঃ নতুন পুঁজি | (3,553) | 67,497 |
| যোগ ঃ প্ৰকৃত লাভ | 10,217 | | বিনিয়োগ | | 65,000 |
| | 2,80,217 | | বিনিয়োগৰ অপ্ৰদত্ত সুদ | | 2,600 |
| | | | অগ্ৰিম প্ৰদত্ত বীমা | | 500 |
| বাদ ঃ আহৰণ | 20,020 | | | | |
| | 2,60,197 | | কল আৰু যন্ত্ৰপাতি | | 1,14,000 |
| বাদ ঃ আহৰণ সুদ | 1,200 | 2,58,997 | ভূমি আৰু ভৱন | | 2,39,700 |
| | | 200 | সামৰণি মজুত | | 35,500 |
| অপ্ৰদত্ত দৰমহা | | 100 | | | |
| অপ্ৰদত্ত মজুৰি | | | | | |
| | | 5,24,797 | | | 5,24,797 |

উদাহৰণ-*6*

মেছাৰ্চ কেশৱ ব্ৰাদাৰ্চৰ বহীৰ পৰা তলত দিয়া উদ্বৃত্তবোৰ লোৱা হৈছে। 2005 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে তোমালোকে ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| কল আৰু যন্ত্ৰপাতি | 1,30,000 | বিক্ৰী | 3,00,000 |
| দেনাদাৰ | 50,000 | ক্ৰয়- ফিৰৎ | 2,500 |
| সুদ | 2,000 | পাওনাদাৰ | 2,50,000 |
| মজুৰি | 1,200 | প্ৰদেয় বিল | 70,000 |

| | | | |
|---|---|---|---|
| দৰমহা | 2,500 | | |
| ক্রয় পৰিবহণ | 500 | সন্দেহজনক অনুদ্ধাৰণীয় ঋণ | 1,550 |
| বিক্রয় পৰিবহণ | 700 | পুঁজি | 2,20,000 |
| বিক্রী ফিৰৎ | 2,000 | প্রাপ্ত ঘৰ ভাড়া | 10,380 |
| কাৰখানাৰ ঘৰ ভাড়া | 1,450 | প্রাপ্ত দস্তুৰি | 16,000 |
| কার্যালয়ৰ ভাড়া | 2,300 | | |
| বীমা | 780 | | |
| আচবাৱ | 22,500 | | |
| ভৱন | 2,80,000 | | |
| প্রাপ্য বিল | 3,000 | | |
| নগদ জমা | 22,500 | | |
| বেংকৰ জমা | 35,000 | | |
| দস্তুৰি | 500 | | |
| আৰম্ভণী মজুত পণ্য | 60,000 | | |
| ক্রয় | 2,50,000 | | |
| অনুদ্ধাৰণীয় ঋণ | 3,500 | | |
| | 8,70,430 | | 870,430 |

**সংযোজন ঃ**

(i) দেনাদাৰৰ ওপৰত 5% হাৰত অনুদ্ধাৰণীয় ঋণৰ বাবে পুঁজি ৰাখিব লাগে আৰু অনুদ্ধাৰণীয় ঋণ হিচাপে অতিৰিক্ত 2,000 টকা বাদ দিব লাগে ।

(ii) অগ্রিম ঘৰ ভাড়া 6,000 টকা।

(iii) অগ্রিম প্রদত্ত বীমা 200 টকা।

(iv) আচবাৱৰ ওপৰত 5% কল আৰু যন্ত্রপাতি ওপৰত 6%, ভৱনৰ ওপৰত 7% হাৰত অৱক্ষয় ধৰিব লাগে।

*সামাধান ঃ*

### কেশৱ ব্ৰাদাৰ্চৰ বহীত
### ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ
2005 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ

ডে ঃ ক্ৰে ঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 60,000 | বিক্ৰী 3,00,000 | |
| ক্ৰয় 2,50,000 | | বাদ ঃ ফিৰং (2,000) | 2,98,000 |
| বাদ ঃ ফিৰং (2,500) | 2,47,500 | সামৰণী মজুত | 70,000 |
| মজুৰি | 1,200 | | |
| ক্ৰয় পৰিবহণ | 500 | | |
| কাৰখানাৰ ভাড়া | 1,450 | | |
| মুঠ লাভ, আগলৈ | 57,350 | | |
| | 3,68,00 | | 3,68,000 |
| সুদ | 2,000 | মুঠ লাভ, আগৰ পৰা | 57,350 |
| দৰমহা | 2,500 | প্ৰাপ্ত ঘৰভাড়া 10,380 | |
| বিক্ৰয় পৰিবহণ | 700 | বাদ অগ্ৰিম ঘৰভাড়া (6,000) | 4,380 |
| কাৰ্যালয় ভাড়া | 2,300 | | |
| বীমা 780 | | প্ৰাপ্ত দস্তুৰি | 16,000 |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত বীমা (200) | 580 | | |
| আচবাবৰ অৱক্ষয় | 1,125 | | |
| কল আৰু যন্ত্ৰপাতি অৱক্ষয় | 7,800 | | |
| ভৱনৰ অৱক্ষয় | 19,600 | | |
| দস্তুৰি | 500 | | |
| অনুদ্ধাৰণীয় ঋণ 3,500 | | | |
| যোগ ঃ অতিৰিক্ত অঃ ঋণ 2,000 | | | |
| যোগ ঃ সন্দেহজনক পুঁজি 2,400 | | | |
| 7,900 | | | |
| বাদ ঃ পুৰণি সন্দেহজনক অঃ ঋণ (1,550) | 6,350 | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | 34,275 | | |
| | 77,730 | | 77,730 |

**উদ্বৃত্ত পত্ৰ 31 মাৰ্চ 2005 চনত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| পাওনাদাৰ | | 2,50,000 | নগদ হাতে জমা | | 22,500 |
| প্ৰদেয় বিল | | 70,000 | বেংক জমা | | 35,000 |
| অগ্ৰিম ঘৰ ভাড়া | | 6,000 | প্ৰাপ্য বিল | | 3,000 |
| মূলধন | 2,20,000 | | অগ্ৰিম প্ৰদত্ত বীমা | | 200 |
| যোগ ঃ প্ৰকৃত লাভ | 34,275 | 2,54,275 | দেনাদাৰ | 50,000 | |
| | | | বাদ ঃ অতিৰিক্ত অঃ ঋঃ | (2,000) | |
| | | | | 48,000 | |
| | | | বাদ ঃ নতুন সন্দেহজনক অনুদ্ধাৰণীয় ঋণ | (2,400) | 45,600 |
| | | | কল আৰু যন্ত্ৰপাতি | | 1,22,200 |
| | | | আচবাব | | 21,375 |
| | | | ভৱন | | 2,60,400 |
| | | | সামৰণী মজুত পণ্য | | 70,000 |
| | | 5,80,275 | | | 5,80,275 |

**উদাহৰণ -7**

তলত দিয়া তথ্যসমূহ মেছাৰ্ছ ফেয়াৰ ব্ৰাদাৰ্চ লিমিটেডৰ উদ্বৃত্ত মিলন পত্ৰৰ পৰা লোৱা হৈছে। 2006 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰি সেই তাৰিখত এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| নগদ হাতে জমা | 20,000 | বিক্ৰী | 3,61,000 |
| মজুৰি | 45,050 | 12% হাৰত ঋণ (1.7.2005) | 40,000 |
| বিক্ৰী ফিৰৎ | 4,800 | প্ৰাপ্ত বাট্টা | 1,060 |
| অনুদ্ধাৰণীয় ঋণ | 4,620 | পাওনাদাৰ | 60,610 |
| দৰমহা | 16,000 | ফিৰৎ (ক্ৰয়) | 390 |
| প্ৰৱেশ কৰ | 1,000 | মূলধন | 75,000 |
| দান | 250 | | |

| | | | |
|---|---|---|---|
| যন্ত্রপাতি | 32,000 | | |
| দেনাদাৰ (1,600 টকাৰ এখন প্ৰত্যাখ্যাত বিল অন্তৰ্ভুক্ত) | 60,000 | | |
| মজুত পণ্য | 81,600 | | |
| ক্ৰয় | 2,60,590 | | |
| মেৰামতি | 3,350 | | |
| ঋণৰ ওপৰত সুদ | 1,200 | | |
| বিক্ৰী কৰ | 1,600 | | |
| বীমা | 2,000 | | |
| ঘৰ ভাড়া | 4,000 | | |
| | 5,38,060 | | 5,38,060 |

**সংযোজন ঃ**

(1) 2005 চনৰ 1 এপ্ৰিল তাৰিখে নতুন যন্ত্ৰপাতি স্থাপন কৰাৰ বাবদ 1,600 টকা মজুৰিৰ লগত অন্তৰ্ভুক্ত হৈ আছে।

(2) আচবাৱৰ ওপৰত 5% হাৰত অৱক্ষয় ধাৰ্য্য কৰা।

(3) অপ্ৰদত্ত দৰমহা 1,600 টকা।

(4) সামৰণি মজুত পণ্য 81,850 টকা।

(5) সন্দেহজনক ঋণ পুঁজিৰ বাবদ দেনাদাৰৰ ওপৰত 5% ধাৰ্য্য কৰিব লাগে।

(6) বিলৰ পৰিমাণৰ আধা আদায়যোগ্য

(7) 2006 চনৰ 30 জুলাইলৈ ঘৰ ভাড়া প্ৰদান।

(8) অগ্ৰিম প্ৰদত্ত বীমা 600 টকা।

*সমাধান ঃ*

### ফেয়াৰ ব্ৰাদাৰ্চৰ বহীত
### ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ
### 2005 চনৰ 31 মাৰ্চত অন্ত পৰা

ডেঃ | ক্ৰেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 81,600 | বিক্ৰী 3,61,000 | |
| ক্ৰয় 2,60,590 | | বাদ ঃ বিক্ৰী ফিৰৎ <u>4,800</u> | 3,56,200 |
| বাদ ঃ ক্ৰয় ফিৰৎ (<u>390</u>) | 2,60,200 | সামৰণী মজুত পণ্য | 81,850 |
| মজুৰি 45,050 | | | |
| বাদ নতুন যন্ত্ৰপাতি স্থাপন | | | |
| অগ্ৰিম মজুৰি অন্তৰ্ভুক্ত (<u>4,000</u>) | 41,050 | | |
| প্ৰৱেশ কৰ | 1,000 | | |
| মুঠ লাভ, আগলৈ | 54,200 | | |
| | 4,38,050 | | 4,38,050 |
| দৰমহা 16,000 | | মুঠ লাভ আগৰ পৰা | 54,200 |
| যোগ ঃ অপ্ৰদত্ত দৰমহা <u>1,600</u> | 17,600 | প্ৰাপ্ত বাট্টা | 1,060 |
| মেৰামতি | 3,350 | | |
| অনুদ্ধাৰণীয় ঋণ 4,620 | | | |
| যোগ ঃ অতিৰিক্ত অঃ ঋঃ 800 | | | |
| যোগ ঃ সন্দেহজনক নতুন | | | |
| ঋণ পুঁজি <u>2,960</u> | 8,380 | | |
| ঋণৰ ওপৰত সুদ 1,200 | | | |
| যোগঃ অপ্ৰদত্ত সুদ <u>2,400</u> | 3,600 | | |
| বিক্ৰী কৰ | 1,600 | | |
| বীমা 2,000 | | | |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত বীমা (<u>600</u>) | 1,400 | | |
| দান | 250 | | |
| ঘৰভাড়া 4,000 | | | |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত ঘৰভাড়া <u>1,000</u> | 3,000 | | |
| যন্ত্ৰপাতিৰ অৱক্ষয় | 1,800 | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | 14,280 | | |
| | 55,260 | | 55,260 |

**উদ্বৃত্ত পত্ৰ 2006 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| পাওনাদাৰ | | 60,610 | নগদ হাতে জমা | | 20,000 |
| অপ্ৰদত্ত দৰমহা | | 1,600 | দেনাদাৰ | 60,000 | |
| ঋণ | | 40,000 | বাদ ঃ অনুদ্ধাৰণীয় ঋণ | (800) | |
| অপ্ৰদত্ত সুদ | | 40,000 | বাদ ঃ সন্দেহজনক পুঁজি | 2,960 | |
| মূলধন | 75,000 | 2,400 | | | 56,240 |
| যোগ ঃ প্ৰকৃত লাভ | 14,280 | 89,280 | অগ্ৰিম প্ৰদত্ত ঘৰভাড়া | | 1,000 |
| | | | অগ্ৰিম প্ৰদত্ত বীমা | | 600 |
| | | | যন্ত্ৰপাতি | 32,000 | |
| | | | যোগ ঃ স্থাপনৰ মজুৰি | 4,000 | |
| | | | | 36,000 | |
| | | | বাদ ঃ অৱক্ষয় | 1,800 | 34,200 |
| | | | সামৰণী মজুত পণ্য | | 81,850 |
| | | 1,93,890 | | | 1,93,890 |

***উদাহৰণ - 8***

মেছাৰ্ছ হৰিহৰণ ব্ৰাদাৰ্চৰ বহীৰ পৰা লোৱা তলত দিয়া উদ্বৃত্তবোৰৰ সহায়ত 2005 চনৰ 31 ডিচেম্বৰত শেষ হোৱা বছৰটোৰ বাবে ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ আৰু এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা ঃ

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 16,000 | মূলধন | 1,00,000 |
| ক্ৰয় | 40,000 | বিক্ৰী | 1,60,000 |
| বিক্ৰী ফিৰৎ | 3,000 | ক্ৰয় ফিৰৎ | 800 |
| ক্ৰয় পৰিবহণ | 2,400 | প্ৰশিক্ষণ কিস্তি | 3,000 |
| বিক্ৰয় পৰিবহণ | 5,000 | প্ৰদেয় বিল | 5,000 |
| মজুৰি | 6,600 | পাওনাদাৰ | 31,600 |
| দৰমহা | 11,000 | | |
| ঘৰভাড়া | 2,200 | | |
| গাড়ী ভাড়া আৰু (বন্দৰ খৰচ) | 4,800 | | |
| অগ্ৰিম বীমাৰ কিস্তি | 1,800 | | |

| | | | |
|---|---|---|---|
| অনুদ্ধাৰণীয় ঋণ | 4,200 | | |
| বাট্টা | 1,000 | | |
| ছপা আৰু মনোহাৰী সামগ্ৰী | 500 | | |
| কৰ | 700 | | |
| যাতায়ত খৰছ | 300 | | |
| ব্যৱসায়ীক খৰছ | 400 | | |
| ব্যৱসায়ৰ চৌহদ | 1,10,000 | | |
| আচবাব | 5,000 | | |
| প্ৰাপ্য বিল | 7,000 | | |
| দেনাদাৰ | 40,000 | | |
| যন্ত্ৰ | 9,000 | | |
| ঋণ | 10,000 | | |
| বিনিয়োগ | 6,000 | | |
| নগদ হাতে জমা | 500 | | |
| বেংক জমা | 7,000 | | |
| মালিকৰ আহৰণ | 6,000 | | |
| | 3,00,400 | | 3,00,400 |

**সংযোজন ঃ**

(1) সামৰণী মজুত পণ্য 14,000 টকা।

(2) অপ্ৰদত্ত মজুৰি 600 টকা, অপ্ৰদত্ত দৰমহা 1.000 টকা, অপ্ৰদত্ত ঘৰভাড়া 200 টকা।

(3) 2005 চনৰ জুলাইত এবছৰৰ বাবে অগ্ৰিম বীমা কিস্তি 1200 টকা প্ৰদান, 2005ৰ। জুলাইৰ পৰা, 2006 ৰ জুনলৈকে।

(4) 2005 চনৰ 1 জানুৱাৰীত তিনিবছৰৰ বাবে শিক্ষানবীচৰ কিস্তি প্ৰদান কৰা হৈছে।

(5) 60 টকাৰ মনোহাৰী সামগ্ৰীৰ বিল এতিয়াও অপ্ৰদত্ত হৈ আছে।

(6) চৌহদৰ ওপৰত অৱক্ষয় ধাৰ্য্য কৰিব লাগে 5% আচবাৱৰ ওপৰত 10% যন্ত্ৰপাতিৰ ওপৰত 10% হাৰত

(7) ঋণৰ ওপৰত সুদ এবছৰৰ বাবে উপাৰ্জিত হৈ আছে 7% হাৰে।

(8) 2005 চনৰ 31 ডিচেম্বৰত আধা বছৰৰ বাবে বিনিয়োগৰ ওপৰত সুদ উপাৰ্জিত হৈ আছে 5% হাৰে।

(9) 5% হাৰে মূলধনৰ ওপৰত সুদ এবছৰৰ বাবে ধাৰ্য্য কৰিব লাগে।

(10) তেওঁৰ আহৰণৰ বাবে বছৰটোৰ সুদ 160 টকা নিৰ্ধাৰণ কৰিছে।

*সমাধান ঃ*

**হৰিহৰণ ব্ৰাদাৰ্চৰ বহীত**

**ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ, 2005 চনৰ 31 ডিচেম্বৰৰ অন্তহোৱা বছৰটোৰ**

ডেঃ ক্রেঃ

| খৰচ/ক্ষতি | | টকাৰ পৰিমাণ | ৰাজহ/আয় | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | | 16,000 | বিক্ৰী | 1,60,000 | |
| ক্রয় | 40,000 | | বাদ ঃ বিক্ৰী ফিৰৎ | (3,000) | 1,57,000 |
| বাদ ঃ ক্রয় ফিৰৎ | (800) | 39,200 | | | |
| | | | সামৰণী মজুত পণ্য | | 14,000 |
| মজুৰি | 6,600 | | | | |
| যোগ ঃ অপ্ৰদত্ত মজুৰি | 600 | 7,200 | | | |
| ক্রয়জনিত পৰিবহণ | | 2,400 | | | |
| গাড়ী ভাড়া আৰু ডাক খৰছ | | 4,800 | | | |
| মুঠ লাভ, আগলৈ | | 1,01,400 | | | |
| | | 1,71,000 | | | 1,71,000 |
| দৰমহা | 11,000 | | মুঠ লাভ, আগৰ পৰা | | 1,01,400 |
| যোগ ঃ অপ্ৰদত্ত দৰমহা | 1,000 | 12,000 | শিক্ষানবীচী কিস্তি | 3,000 | |
| বিক্রয়জনিত পৰিবহণ | | 5,000 | বাদ ঃ অগ্ৰিম কিস্তি | 2,000 | 1,000 |
| হাৰ আৰু কৰ | | 700 | ঋণৰ উপাৰ্জিত সুদ | | 700 |
| ছপা আৰু মনোহাৰী | | | আহৰণৰ ওপৰত সুদ | | 160 |
| সামগ্ৰী | 500 | | বিনিয়োগৰ ওপৰত উপাৰ্জিত সুদ | | 150 |
| যোগ ঃ অপ্ৰদত্ত বিল | 60 | 560 | | | |
| ব্যৱসায়ীক খৰছ | | 400 | | | |
| যাতায়ত খৰছ | | 300 | | | |
| অগ্ৰিম বীমা | 1,800 | | | | |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত বীমা | (600) | 1,200 | | | |
| অনুদ্ধাৰণীয় ঋণ | | 4,200 | | | |
| ঘৰ ভাড়া | 2,200 | | | | |
| যোগ ঃ অপ্ৰদত্ত ঘৰ ভাড়া | 200 | 2,400 | | | |
| মূলধনৰ ওপৰত সুদ | | 5,000 | | | |
| চৌহদৰ অৱক্ষয় | | 5,500 | | | |
| আচবাবৰ অৱক্ষয় | | 500 | | | |
| যন্ত্ৰপাতিৰ অৱক্ষয় | | 900 | | | |
| বাট্টা | | 1,000 | | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | | 63,750 | | | |
| | | 1,03,410 | | | 1,03,410 |

**উদ্বৃত্ত পত্ৰ 2005 চনৰ 31 ডিচেম্বৰত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মূলধন | 1,00,000 | | ভৱন (চৌহদ) | 1,10,000 | |
| যোগঃ মূলধনৰ | | | বাদঃ অৱক্ষয় | (5,500) | 1,04,500 |
| ওপৰত সুদ | 5,000 | | | | |
| যোগঃ প্ৰকৃত লাভ | 63,750 | | আচবাৱ | | 4,500 |
| | 1,68,750 | | যন্ত্ৰপাতি | | 8,100 |
| বাদঃ আহৰণ | (6,000) | | দেনাদাৰ | | 40,000 |
| | 1,62,750 | | প্ৰাপ্য বিল | | 7,000 |
| বাদঃ আহৰণৰ ওপৰত সদ (160) | | 1,62,590 | নগদ হাতে জমা | | 500 |
| | | | বেংক জমা | | 7,000 |
| পাওনাদাৰ | | 31,600 | ঋণ | 10,000 | |
| প্ৰদেয় বিল | | 5,000 | যোগ ঃ উপাৰ্জিত সুদ | 700 | 10,700 |
| অপ্ৰদত্ত মজুৰি | | 600 | | | |
| অপ্ৰদত্ত দৰমহা | | 1,000 | বিনিয়োগ | 6,000 | |
| অপ্ৰদত্ত ঘৰভাড়া | | 200 | যোগ ঃ উপাৰ্জিত সুদ | 150 | 6,150 |
| অপ্ৰদত্ত মনোহাৰী খৰচ | | 60 | অগ্ৰিম প্ৰদত্ত বীমা | | 600 |
| শিক্ষানবীচী কিস্তি (অগ্ৰীম) | | 2,000 | সামৰণী মজুত পণ্য | | 14,000 |
| | | 2,03,050 | | | 2,03,050 |

**উদাহৰণ - *9***

তলত দিয়া উদ্বৃত্ত সমূহ মেছাৰ্ছ কলকতা লিমিটেডৰ উদ্বৃত্ত মিলন পত্ৰৰ পৰা লোৱা হৈছে। 2006 চনৰ 31 মাৰ্চত ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা আৰু সেই একে তাৰিখত এখন উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 6,000 | মূলধন | 20,000 |
| আচবাৱ | 1,200 | বিক্ৰী | 41,000 |
| আহৰণ | 2,800 | ক্ৰয় ফিৰৎ | 4,000 |
| নগদ হাতে জমা | 3,000 | অধিবিকৰ্ষ (বেংকত) | 4,000 |
| ক্ৰয় | 24,000 | সন্দেহজনক পুঁজি | 400 |
| বিক্ৰী ফিৰৎ | 2,000 | পাওনাদাৰ | 5,000 |
| সংস্থাপন ব্যয় | 4,400 | দস্তুৰি | 100 |

| | | | |
|---|---|---|---|
| অনুদ্ধাৰণীয় ঋণ | 1,000 | প্ৰদেয় বিল | 5,000 |
| পৰিবহণ | 1,000 | শিক্ষানবীচী কিস্তি | 500 |
| দেনাদাৰ | 10,000 | | |
| প্ৰাপ্য বিল | 6,000 | | |
| বেংক জমা | 8,000 | | |
| মজুৰি | 1,000 | | |
| ব্যৱসায়ীক খৰচ | 500 | | |
| বেংকৰ ভৰণি | 400 | | |
| সাধাৰণ ব্যয় | 1,000 | | |
| দৰমহা | 2,000 | | |
| বীমা | 1,500 | | |
| ডাক আৰু টেলিগ্ৰাম | 500 | | |
| ঘৰভাড়া আৰু কৰ | 2,000 | | |
| কয়লা, গেছ, পানী | 2,000 | | |
| | 80,300 | | 80,300 |

সংযোজন ঃ

(1) অপ্ৰদত্ত দৰমহা 100 টকা, ঘৰ ভাড়া আৰু কৰ 200 টকা, মজুৰি 100 টকা।

(2) অগ্ৰিম প্ৰদত্ত বীমা 500 টকা।

(3) অগ্ৰিম প্ৰাপ্ত দস্তুৰি 50 টকা।

(4) বেংকৰ জমাৰ ওপৰত 500 টকা সূদ এতিয়াও পাবলগা আছে।

(5) অধিবিকৰ্ষৰ ওপৰত সুদ 750 টকা।

(6) আচবাৱৰ ওপৰত অৱক্ষয় 10% হাৰত ধৰিব লাগে।

(7) সামৰণী মজুত পণ্যৰ পৰিমাণ 9,000 টকা।

(8) অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ হ'ল 200 টকা, দেনাদাৰৰ ওপৰত 5% হাৰত সন্দেহজনক ঋণ পুঁজিৰ ভৱিষ্যত ব্যৱস্থা কৰিব লাগে।

(9) প্ৰশিক্ষণৰ কিস্তি 100 টকা অগ্ৰিম লোৱা আছে।

(10) আহৰণৰ ওপৰত সুদ 6% হাৰত ধাৰ্য্য কৰিব লাগে।

*সমাধান ঃ*

**কলকতা লিমিটেডৰ বহীত**
**ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ**
**2006 চনৰ 31 মাৰ্চৰ অন্তত**

ডেঃ ক্ৰেঃ

| খৰচ/ক্ষতি | টকাৰ পৰিমাণ | ৰাজহ/আয় | টকাৰ পৰিমাণ |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 6,000 | বিক্ৰী 41,300 | |
| ক্ৰয় 24,000 | | বাদ ঃ বিক্ৰী ফিৰৎ (2,000) | 39,300 |
| বাদ ঃ ক্ৰয় ফিৰৎ (4,000) | 20,000 | | |
| মজুৰি 1,000 | 1,100 | সামৰণী মজুত পণ্য | 9,000 |
| যোগ ঃ অপ্ৰদত্ত মজুৰি 100 | | | |
| কয়লা, গেছ, পানী | 2,000 | | |
| মুঠ লাভ আগলৈ | 19,200 | | |
| | 48,300 | | 48,300 |
| সংস্থাপন ব্যয় | 4,400 | মুঠ লাভ, আগৰ পৰা | 19,200 |
| পৰিবহন | 1,000 | দস্তুৰি 100 | |
| ব্যৱসায়ীক খৰচ | 500 | বাদ ঃ অগ্ৰিম প্ৰাপ্ত | |
| বেংকৰ ভৰণি | 400 | দস্তুৰি (50) | 50 |
| সাধাৰণ ব্যয় | 1,000 | বেংকৰ জমাৰ উপাৰ্জিত সুদ | 500 |
| দৰমহা 2,000 | | | |
| যোগঃ অপ্ৰদত্ত দৰমহা 100 | 2,100 | | |
| বীমা 1,500 | | শিক্ষানবীচী কিস্তি মাচুল 500 | |
| বাদ ঃ অগ্ৰিম প্ৰদত্ত বীমা (500) | 1,000 | বাদঃ অগ্ৰিম প্ৰাপ্তি 100 | 400 |
| ডাক আৰু টেলিগ্ৰাম | 500 | আহৰণৰ ওপৰত সুদ | 168 |
| ঘৰভাড়া আৰু কৰ | 2,200 | | |
| অনুদ্ধাৰণীয় ঋণ 1,000 | | | |
| যোগ ঃ অতিৰিক্ত অঃ ঋঃ 200 | | | |
| যোগ ঃ নতুন সন্দেহজনক ঋণ পুঁজি 490 | | | |
| 1690 | | | |
| বাদ ঃ পুৰণি পুজি 400 | 1,290 | | |
| আচবাবৰ অৱক্ষয় | 120 | | |
| প্ৰকৃত লাভ (মূলধন হিচাপলৈ স্থানান্তৰ) | 5058 | | |
| | 20,318 | | 20,318 |

**উদ্বৃত্ত পত্ৰ 2006 চনৰ 31 মাৰ্চত**

| দেনা | | টকাৰ পৰিমাণ | সম্পত্তি | | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|
| মূলধন | 20,000 | | অগ্ৰিম বীমা | | 500 |
| যোগঃ প্ৰকৃত লাভ | 5,058 | | বেংক জমা | 8,000 | |
| | 25,058 | | যোগ ঃ অপ্ৰদত্ত সুদ | 500 | 8,500 |
| বাদ ঃ আহৰণ | (2,800) | | আচবাব | | 1,080 |
| | 22,258 | | নগদ হাতে জমা | | 3,000 |
| বাদঃ আহৰণৰ ওপৰত সুদ(168) | | 22,090 | দেনাদাৰ | 10,000 | |
| পাওনাদাৰ | | 5,000 | বাদ ঃ অতিৰিক্ত অঃ ঋঃ (200) | | |
| প্ৰাপ্ত দস্তুৰি অগ্ৰিম | | 50 | | 9,800 | |
| শিক্ষানবীচীৰ কিস্তি | | 100 | বাদ, সন্দেহজনক পুঁজি (490) | | 9,310 |
| অপ্ৰদত্ত মজুৰি | | 100 | প্ৰাপ্য বিল | | 6,000 |
| অপ্ৰদত্ত দৰমহা | | 100 | সামৰণী মজুত পণ্য | | 9,000 |
| অপ্ৰদত্ত ঘৰভাড়া কৰ | | 200 | | | |
| বেংক অধিবিকৰ্ষ | 4,000 | | | | |
| যোগ ঃ অপ্ৰদত্ত সুদ | 750 | 4,750 | | | |
| প্ৰদেয় বিল | | 5,000 | | | |
| | | 37,390 | | | 37,390 |

***উদাহৰণ - 10***

2006 চনৰ 31 মাৰ্চত মেছাৰ্ছ ৰ'ণি প্লাষ্টিক লিঃ ৰ তলত দিয়া উদ্বৃত্ত মিলন পত্ৰৰ পৰা সেই বছৰত অন্ত পৰা বছৰটোৰ ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰি এখন উদ্বৃত্ত পত্ৰ তৈয়াৰ কৰি দেখুওৱা

| ডেবিট উদ্বৃত্ত | টকাৰ পৰিমাণ | ক্ৰেডিট উদ্বৃত্ত | টকাৰ পৰিমাণ |
|---|---|---|---|
| আহৰণ | 6,000 | পাওনাদাৰ | 16,802 |
| বিভিন্ন দেনাদাৰ | 38,200 | মূলধন | 60,000 |
| বিক্ৰয়জনিত পৰিবহণ | 2,808 | বন্ধক ঋণ | 17,000 |
| সংস্থাপন ব্যয় | 16,194 | অনুদ্ধাৰণীয় পুঁজি | 1,420 |
